## প্ৰথম অধ্যায়

# অসমীয়া সমাজত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা ঃ সাহিত্যত ইয়াৰ প্ৰতিফলন

অসমীয়া সমাজৰ বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা কেনেদৰে সাহিত্যত প্ৰতিফলন হৈছে বিচাৰ কৰিবলৈ গ'লে প্ৰথমতে ভাৰতীয় সংস্কৃতিৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিব লাগিব। ভাৰতীয় সংস্কৃতিত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা পাশ্চাত্য দেশৰ তুলনাত অধিক উন্নত। পুৰণি ভাৰতীয় সমাজ-ব্যৱস্থাত প্ৰবীণ তথা বৃদ্ধসকলক অধিক গুৰুত্ব দিয়া হৈছে। অসমীয়া সমাজত পুৰণি যৌথ পৰিয়ালত বৃদ্ধ লোকে নিজৰ কৰ্তৃত্ব আৰু সিদ্ধান্তৰে এক বিশেষ স্থান দখল কৰি সন্মানসহকাৰে জীৱনৰ শেষ দিনপৰ্যন্ত জীয়াই আছিল। সেই সময়ত অভিজ্ঞ প্ৰবীণসকলক সমাজ আৰু ৰাজনীতি পৰিচালনাৰ দৰে গুৰুদায়িত্ব অৰ্পণ কৰা হৈছিল। অসমীয়া সমাজত বৃদ্ধসকলৰ সন্মানজনক স্থান সঁচাকৈয়ে সন্তোষজনক হয় নে নহয় সেই বিষয়ে জ্ঞাত হ'বলৈ গৱেষণা-গ্ৰন্থৰ প্ৰথম অধ্যায়ত প্ৰয়াস কৰা হৈছে। অন্যান্য বিষয়তকৈ সাহিত্যত কলাসুলভ ৰূপত একো একোখন সমাজৰ প্ৰতিচ্ছবি বাস্তৱ ৰূপত তুলি ধৰা সহজ। সেইবাবে অসমীয়া সমাজত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা কেনেদৰে প্ৰতিফলন হৈছে সাহিত্যৰ দৃষ্টিৰে বিশ্লেষণ কৰিবলৈ বিচৰা হৈছে। সমাজ আৰু পৰিৱেশ পৰিৱৰ্তনৰ ফলত বৃদ্ধসকলৰ শ্ৰদ্ধা-সন্মান কোন কোন ক্ষেত্ৰত হীনডেঢ়ি হৈছে সেই বিষয়ে আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। অসমীয়া সাহিত্যৰ অন্তৰ্গত লোকজীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত অসমীয়া লোকসাহিত্য আৰু বৈষ্ণৱ যুগৰ সাহিত্য, আধুনিক অসমীয়া সাহিত্যৰ বিবিধ শাখা— কবিতা, নাটক, গল্প আৰু প্ৰবন্ধত বৃদ্ধ-প্ৰসংগৰ এটি চমু বিশ্লেষণ আগবঢ়োৱা হ'ল।

### ১.০ অসমীয়া লোকসাহিত্যত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা ঃ

লোকজীৱন বা জনজীৱন একোটা জাতি-জনগোষ্ঠীৰ জীৱনৰ পৰিচয়। এটা জাতিৰ জীৱন প্ৰতিভাত হয় তেওঁলোকৰ নিজা নিজা লোকসাহিত্যৰাজিত। জাতি এটাৰ আশা-আকাংক্ষা, জীৱন-আচৰণৰ নিদৰ্শন প্ৰদৰ্শিত হয় লোকজীৱনসম্বলিত তেওঁলোকৰ সমাজখনত আৰু ইয়াৰ আধাৰতে লোকসংস্কৃতি অথবা

লোকসাহিত্য বৰ্তি থাকে। গতিকে অসমীয়া লোকসাহিত্যৰ দ্বাৰা অসমীয়া লোকজীৱন প্ৰতিফলিত হয়। “লোকসাহিত্যই লোকজীৱনৰ ইতিহাস আৰু লোকমানসৰ উজ্জ্বল প্ৰতিচ্ছবি দাঙি ধৰে। এই লোকমানসত প্ৰতিফলিত হয় লোকজীৱনৰ আবেগ, অনুভূতি আৰু অভিজ্ঞতা।”[১] লোকসাহিত্যয়েই লোকজীৱনৰ মৌখিক স্বৰূপ। এখন সমাজৰ অস্তিত্বক প্ৰতিনিধিত্ব কৰা লোকসাহিত্যৰ মাজেৰে লোকজীৱনৰ সংস্কৃতিৱান ৰূপ এটি প্ৰতীয়মান হয়। লোকসাহিত্য অবিহনে এখন সমাজ বা এটা জাতিৰ উন্নতি অসম্ভৱ। অসমীয়া লোকসাহিত্যৰ অন্তৰ্গত প্ৰতিটো বিষয় চালি-জাৰি চালে এটা কথা মন কৰিব পাৰি যে অসমীয়া লোকজীৱনত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা অনন্য। বিশেষকৈ অসমীয়া লোকসাহিত্যৰ অন্তৰ্গত সাধুকথা, প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনাৰ উপৰি সাঁথৰত বৃদ্ধসকলৰ জীৱন-প্ৰসংগ প্ৰত্যক্ষ কৰিব পাৰি। ভাৰতীয় পৰম্পৰাত বৃদ্ধসকলক শ্ৰদ্ধা আৰু সন্মান যচাৰ ৰীতি প্ৰাচীন কালৰে পৰা প্ৰচলন হৈ আছে। অসমীয়া সমাজত পৰম্পৰা অনুসৰি বৃদ্ধ লোকক ঘৰখন আৰু সমাজখনৰ মুখিয়াল ব্যক্তি হিচাপে সন্মান কৰা হয়। জীৱন-অভিজ্ঞতাৰে পৰিপুষ্ট বৃদ্ধসকলে পৰম্পৰাগত আদৰ্শ, সংস্কাৰৰ দ্বাৰা পৰিয়াল আৰু সমাজত আদৰ-সন্মানৰ অধিকাৰী হৈ আছে। লোকসাহিত্যৰ অন্তৰ্গত সাধুকথাত বিশেষকৈ ককাক-আইতাকৰ লগত নাতি-নাতিনীৰ সুমধুৰ সম্পৰ্কৰ বৰ্ণনা লক্ষ্মীনাথ বেজবৰুৱাৰ *ককাদেউতা আৰু নাতি ল'ৰা, বুঢ়ী আইৰ সাধু* আৰু আন এটি জনপ্ৰিয় সাধু ‘ৰাক্ষসীৰ সাধু’ৰ পৰা অনুমান কৰিব পাৰি। পুৰণি অসমীয়া শ্ৰম নিৰ্ভৰশীল সমাজত মাক-দেউতাকে শিশুৰ সকলো আব্দাৰ পূৰণ কৰি তেওঁলোকৰ কাষত বহি থকাটো কোনোমতেই সম্ভৱ নাছিল। সেইবাবে যৌথ ঘৰখনত ককাক-আইতাক অথবা বয়োজ্যেষ্ঠজনেই ঘৰখনত শিশুৰ ওমলাৰ লগৰী। বৃদ্ধসকলে নাতি-নাতিনীৰ লগত সময় কটাই তেওঁলোকৰ আদৰ আৰু মৰমতে জীৱন অতিবাহিত কৰিছিল। যৌথ ঘৰখনত ডাঙৰ-দীঘল হোৱা লক্ষ্মীনাথ বেজবৰুৱাই বৃদ্ধসকলৰ মূল্য মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছিল। সেইবাবে অসমৰ লোকজীৱনত সাধু কোৱা পৰম্পৰাক বেজবৰুৱাই কৌশলেৰে সমাজ-জীৱনত উত্থাপন কৰি ককাক-আইতাকৰ লগত নাতি-নাতিনীৰ এটি সুমধুৰ সম্পৰ্ক গঢ়ি তুলিছিল। যিহেতু শিশুৰ জগতখন কল্পনা আৰু ভাবৰ জগত, সেইবাবে এই জগতখনত সাধুৰ প্ৰভাৱ অপৰিসীম।

---

১। লক্ষেশ্বৰ হাজৰিকা, “অসমীয়া সাহিত্যৰ ‘লোকগাথা’— এটি অৱলোকন” www. xahitya.org

শিশুৰ স্বভাৱসুলভ চতুৰালি, মনত উদয় হোৱা বহু প্ৰশ্ন আৰু সাঁথৰসমূহ বৃদ্ধসকলে জীৱন-অভিজ্ঞতাৰ জ্ঞানেৰে সমাধান কৰিব পাৰে। গ্ৰাম্য সহজ-সৰল জীৱনত ককাক-আইতাকৰ কণাৰ লাখুটি নাতি-নাতিনীসকল। বিনিময়ত তেওঁলোকে শিশুৰ পৰা আদায় কৰে কিছুমান সৰুসুৰা প্ৰয়োজন। নাতি-নাতিনীৰ ওপৰত অভিমান, আৱেগ, মৰম— এইবোৰেই বৃদ্ধসকলৰ জীয়াই থকাৰ একমাত্ৰ সম্বল। বেজবৰুৱাৰ *ককাদেউতা আৰু নাতি ল'ৰা* সাধুবোৰৰ আদিতে থকা কথোপকথনে তাৰে এখন মনোগ্ৰাহী ছবি ৰাখি থৈছে।

> বাপু অ', ওচৰ চাপি আহ; আজি তোক এটা সাধু ক'ম, তাৰ নাম অবুজ ৰজাৰ বিবুজ মন্ত্ৰী। তই মোৰ পিঠিত হাত দি পকা ঘামচিবোৰ মাৰি দেচোন। চাবি, যিবোৰত নখ দিলে পুট্ পুট্ কৰে উঠিব সেইবোৰকহে মাৰিবি, কেঁচাবোৰত নখ নিদিবি।[২]

অতীত কালৰে পৰা বৃদ্ধসকলে উত্তৰপুৰুষৰ আগত তেওঁলোকৰ জীৱন-অভিজ্ঞতাবোৰ সাধুৰ চলেৰে পাতনি মেলিছিল। 'তেওঁলোকৰ সৎ আদৰ্শই শিশুৰ চৰিত্ৰ তথা সবল মন গঠনত অৰিহণা যোগাইছে। যৌথ ঘৰখনত বৃদ্ধ লোকে শিশুৰ সুচৰিত্ৰ গঠন, সৎ আদৰ্শ, সজ অভ্যাস, পৰম্পৰাগত আদৰ্শ আৰু সংস্কাৰ গঠনত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।'[৩] শিশুৰ সৰল মনত অন্ধবিশ্বাসে গ্ৰাস কৰিব নোৱাৰাকৈ সংস্কাৰমুক্ত আৰু যুক্তিবাদী কৰি তুলিবলৈ বেজবৰুৱাই সাধুৰ জৰিয়তে যত্ন কৰিছিল।[৪]

শিশুৰ উদাৰ, সৰল মন নীতিনিষ্ঠ কৰা আৰু ব্যৱহাৰিক জীৱনত ভাই-ভনীৰ লগত মিলিজুলি

---

২। *বেজবৰুৱা ৰচনাৱলী* (ষষ্ঠ খণ্ড), নগেন শইকীয়া (সম্পা.), পৃ. ১৭

৩। স্মৃতিৰেখা ভূঞা, 'লোকজীৱনৰ যাদুঘৰ 'ককাদেউতা আৰু নাতিল'ৰা'', *গৰীয়সী*, লক্ষ্মীনন্দন বৰা (সম্পা.), নৱেম্বৰ, ২০১৫, পৃ. ৩৫

৪। ' ...মানুহ কেতিয়াও শাঁখিনী হ'ব নোৱাৰে; তাই বৰ দুখীয়া, কেও-কিছু নথকা মানুহ আৰু দুখত পৰি, নৰিয়াত ভুগি আৰু লোকৰ কেটেৰা-জেঙেৰা খাই তাই তাইৰ স্বভাৱ লিংখিঙীয়া হৈছে, সেইদেখি তাই তেনেকৈ কথা কয়। এনে দুখীয়া নিমাখিত প্ৰাণীক ভিক্ষা দিলে, মৰম-বেথা কৰিলে বৰ পুইণ হয়। আজিৰ পৰা তই তাইক মৰম কৰি ভিক্ষা দিবি।'

নগেন শইকীয়া (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ২৪

চলিবলৈ বৃদ্ধসকলে উপদেশ দিয়াৰ নিদৰ্শন বেজবৰুৱাৰ সাধুসমূহত ককাৰ মুখেৰে ব্যক্ত কৰিছে।[৫]

বেজবৰুৱাৰ *বুঢ়ী আইৰ সাধু*ৰ অন্তৰ্গত প্ৰতিটো সাধুতেই শিশুৰ মনস্তত্ত্ব বুজি পোৱা বৃদ্ধ ককা-আইতাৰ নীতি, আদৰ্শ, ৰুচিবোধ আৰু সংস্কাৰৰ পৰিচয় পোৱা যায়। অভিজ্ঞ বৃদ্ধসকলে শিশুৰ সজ চৰিত্ৰ গঠনত সাধুৰ জৰিয়তে লোৱা এনে বলিষ্ঠ ভূমিকাৰ বাবে যৌথ ঘৰখন আৰু সমাজখনত তেওঁলোকৰ সন্মান আৰু মৰ্যাদা অটুট আছিল। শিশু-সাহিত্যিক গগন চন্দ্ৰ অধিকাৰীয়ে অসমীয়া মৌখিক আৰু লোকসাহিত্য, পদসাহিত্য, গীত আৰু কাহিনীৰে শৈশৱতে তেওঁক আকৃষ্ট আৰু অনুপ্ৰাণিত কৰা মুখ্য ব্যক্তি তেওঁৰ আইকে ধৰি ঘৰখনৰ বয়োজ্যেষ্ঠসকল বুলি মন্তব্য প্ৰকাশ কৰিছে।[৬]

লোকজীৱনৰ আন এবিধ অমূল্য সম্পদ প্ৰবাদ-প্ৰবচন। বৃদ্ধ লোকক লৈ ৰচিত প্ৰবাদ-প্ৰবচনত বৃদ্ধ লোকৰ জীৱনৰ বহু অভিজ্ঞতাৰ প্ৰমাণ পোৱা যায়।

(১) ঘৰৰ বুঢ়া, জুহালৰ মূঢ়া[৭]

—জুহালৰ মূঢ়া খৰিডাল যিদৰে গুৰুত্বপূৰ্ণ, ঠিক তেনেদৰে ঘৰখনৰ বয়োজ্যেষ্ঠ বা ঘৰৰ মুখিয়াল বৃদ্ধ ব্যক্তিজনৰ গুৰুত্ব অধিক। তেওঁৰ অবিহনে ঘৰখনৰ ধৰণী লৰে।

(২) দহো আঙুলিৰে খায়, বুঢ়াই হেঁচুকিলেহে যায়।[৮]

—দহোটা আঙুলিৰ ভিতৰত বুঢ়া আঙুলিৰ গুৰুত্ব সৰ্বাধিক। ঠিক তেনেদৰে ঘৰৰ অন্যান্য সদস্যতকৈ বৃদ্ধ লোকৰ গুৰুত্ব ঘৰখনত আটাইতকৈ বেছি। তেৰেঁই ঘৰখনৰ দায়িত্বশীল ব্যক্তি।

---

৫। 'তই সেই নাৰিকলৰ লাডুটো পাই অকলৈ টপকৰে মুখত সুমাই থ'লি, তোৰ ভনীয়েৰে অকমান খুজিছিল, তই নিদিলি। এইটো কিবা ভাল কথা হ'লনে? আপোনপেটীয়া স্বভাৱ বৰ বেয়া। অলপ বস্তু পালেও তোৰ সৰু ভনীয়েৰক তাৰ ভাগ দি খাব পায়।'

উল্লিখিত, পৃ. ৪৯

৬। গগন চন্দ্ৰ অধিকাৰী, 'কোমল বয়সীয়া পাঠকৰ সংখ্যা ক্ৰমে কমি যাবলৈ ধৰিছে', *গৰীয়সী*, লক্ষ্মীনন্দন বৰা (সম্পা.), ডিচেম্বৰ, ২০১০, পৃ. ৩৮

৭। অনিল বৰুৱা, *জনপ্ৰিয় অসমীয়া ফকৰা-যোজনা*, পৃ. ৫৮

৮। উল্লিখিত, পৃ. ৮০

বুঢ়া পাঠাক খাহী কৰা; বুঢ়া শালিকাই পোহ নামানে; বুঢ়া শালিকাই মাত কঢ়া (লোৱা); বুঢ়াৰ হাতত চেঙেলী পৰা; বুঢ়াৰ হাড়েও কনকনায়; বুঢ়ী ছাগলীৰ লগত মাহ দোণ নষ্ট; বৃদ্ধস্য তৰুণী ভাৰ্য্যা[৯]— ইত্যাদি প্ৰবাদ-প্ৰবচনত ব্যৱহৃত 'বুঢ়া' শব্দটিক হীন অৰ্থত ব্যৱহাৰ কৰা দেখা যায়।

(১) মানুহৰ বুঢ়া হ'লে পৰ্কিতি লৰে।

কুকুৰ বুঢ়া হ'লে ফাপৰে ধৰে।।[১০]

—বুঢ়া বয়সটো সকলোৰে বাবে অবাঞ্ছিত। মানুহ বুঢ়া হ'লে যেনেদৰে স্বভাৱৰ পৰিৱৰ্তন হয়, ঠিক তেনেদৰে কুকুৰ বুঢ়া হ'লে ফাপৰে ধৰে। বাৰ্ধক্যৰ শাৰীৰিক অৱক্ষয়ে বৃদ্ধ লোকৰ মনলৈ অনা পৰিৱৰ্তনক বুজাব বিচাৰিছে।

অসমীয়া ব্যৱহাৰিক জীৱনত 'বুঢ়া' শব্দৰ প্ৰয়োগ ফকৰা-যোজনাত বহুল পৰিমাণে পোৱা যায় ঃ

(১) ছয় পো বাৰ নাতি।

তথাপি বুঢ়ায় নাপায় মাতি (গতি)।।

গোমতী তীৰত মৰিব পাছে

তাৰ পাছতো আৰু কিবা আছে।।[১১]

—পো-নাতি থকা সত্বেও বৃদ্ধসকলৰ বাৰ্ধক্যৰ দুৰৱস্থাৰ কথা বুজাব বিচাৰিছে।

ভকতীয়া ফকৰাত 'বৃদ্ধ' শব্দই জ্ঞান-বৃদ্ধজনক বুজায়। এনে ফকৰাত বৃদ্ধসকলৰ জ্ঞান, বয়সৰ অভিজ্ঞতাৰে বৃদ্ধি পোৱা অৰ্থক বুজাব বিচাৰিছে।

---

৯। উল্লিখিত, পৃ. ১৪৪

১০। সৰ্বেশ্বৰ ৰাজগুৰু, *অসমীয়া প্ৰবাদ*, পৃ. ২৬৪

১১। উল্লিখিত, পৃ. ৩৬১

(৪) আগে বুঢ়া  পাছে খোৰা মাজে কাণী বাই।

তাৰ আগে নাককাটী চকু মুদি যায়।।[১২]

—'বুঢ়া' শব্দই জ্ঞান, 'খোৰা' শব্দই ধৰ্ম, 'কাণী বায়ে' মুক্তি আৰু 'নাককাটী'য়ে জীৱৰ কথা বুজাইছে। ভক্তিৰ সাধনাৰে জীৱই মুক্তিলাভ কৰে, অৰ্থাৎ জ্ঞান লাভ কৰিব পৰা অৰ্থত প্ৰকাশ কৰা হৈছে। ইয়াত 'বুঢ়া' শব্দটো জ্ঞান লাভ কৰা অৰ্থত ব্যৱহাৰ হৈছে।

(৫) আপুনি বয়স ভৈলে বুদ্ধি হৈবে ভাল।[১৩]

—*কীৰ্ত্তন*ৰ 'প্ৰ াদ চৰিত্ৰ'ৰ অন্তৰ্গত ভকতীয়া ফকৰাটিয়ে বয়সে মানুহৰ অভিজ্ঞতা আৰু জ্ঞান-বুদ্ধিৰ বিকাশ ঘটোৱা অৰ্থ প্ৰকাশ কৰিছে।

অসমীয়া লোকজীৱনত প্ৰচলিত আন এবিধ লোকসাহিত্য সাঁথৰ। সাঁথৰ হ'ল কোনো কথাৰ আওপকীয়া উত্তৰ।[১৪] অৰ্থাৎ সাঁথৰে মানুহৰ বুদ্ধিমত্তাৰ পৰিচয় দিয়ে। অসমীয়া সাঁথৰত 'বুঢ়া' শব্দৰ ব্যৱহাৰ যথেষ্ট পোৱা যায়।

(১) সৰুতে চাৰি ঠেং, ডেকা হ'লে দুঠেং, বুঢ়া হ'লে তিনি ঠেং[১৫]

—শৈশৱ-যৌৱন-বৃদ্ধ— এই তিনি অৱস্থাৰ কথা বুজাব বিচাৰিছে। (ইয়াত বাৰ্ধক্যত লাখুটিৰে সৈতে মানুহৰ তিনি ঠেঙৰ কথা উল্লেখ কৰিছে।)

---

১২। উল্লিখিত, পৃ. ১৬

১৩। উল্লিখিত

১৪। ভৱজিৎ বায়ন, *অসমীয়া সাহিত্যৰ বুৰঞ্জী, প্ৰথম খণ্ড,* পৃ. ১০২

১৫। নিতুল নেওগ (সং), *সাঁথৰৰ ৰহঘৰা,* পৃ. ৫১

(২) ওপজিয়ে বুঢ়া হয় কোন?[১৬]

—বুঢ়া আঙুলি

(৩) জন্মতে নাহে পাছত আহে আকৌ আহে আকৌ যায়। পিছৰবাৰ গ'লে ঘূৰি নাহে[১৭]

—দাঁত (বাৰ্ধক্যত লাপুং বুঢ়া হোৱা)

গতিকে অসমীয়া লোকজীৱনৰ অন্তৰ্গত অসমীয়া লোকসাহিত্য, বিশেষকৈ সাধুকথা, প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আৰু সাঁথৰসমূহত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা অনুধাৱন কৰিব পাৰি।

## ১.১ অসমীয়া বৈষ্ণৱ সাহিত্যত বাৰ্ধক্যৰ উল্লেখ ঃ

'বৃদ্ধত্ব' বা 'বাৰ্ধক্য'ৰ প্ৰতিচ্ছবি মধ্যযুগীয় অসমীয়া প্ৰাচীন বৈষ্ণৱ সাহিত্যত প্ৰতিফলন হোৱা দেখা যায়। নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শংকৰদেৱৰ আধ্যাত্মিক জীৱনপ্ৰবাহৰ গ্ৰন্থসমূহ, বিশেষকৈ *কীৰ্ত্তন-ঘোষাৰ* অন্তৰ্গত 'প্ৰ াদ চৰিত্ৰ' খণ্ডটোত মনুষ্যৰ আয়ুসৰেখাৰ বৰ্ণনা পোৱা যায় ঃ

মনুষ্যৰ আয়ু শত বৰিষ সংখ্যাত।
অৰ্দ্ধেক বিফলে যায় জানিবা নিদ্ৰাত।।১৪০
বিংশতি বৰিষ আৰ যায় ওমলন্তে।
নেয় দশ বৰিষ ধনক উপাৰ্জ্জন্তে।।
বৃদ্ধকালে যায় শেষ বৰিষ বিংশতি।
একো কাৰ্য সাধিবাক নাহিকে শকতি।।১৪১ (প্ৰ াদ চৰিত্ৰ, *কীৰ্ত্তন-ঘোষা*)

শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱৰ সাহিত্যৰাজিতো বাৰ্ধক্যৰ বৰ্ণনা প্ৰত্যক্ষ কৰিব পাৰি।

১৬। উল্লিখিত, পৃ. ১৩
১৭। উল্লিখিত, পৃ. ২৬

মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ *নামঘোষা*ত শিশু, যুৱ আৰু বৃদ্ধ— জীৱনৰ এই তিনি অৱস্থাৰ স্বৰূপ প্ৰকাশ পাইছে।

শিশুৰ বিষয় আশা আগ যুৱা সেৱা কৰে পায়া লাগ

বৃদ্ধে ভোগে কৰি পিঠি দিলে বিষয়ক।

হৰি ভকতিক পৰিহৰি বৃদ্ধে বিষয়ক টেৰ কৰি

পুনু পালটিয়া নিৰেখি আছে কিসক।। ৬২৯

বালকে কৰোক বহুমান যুৱায়ে সেৱোক পাৰেমান

বৃদ্ধে বিষয়ৰ বহিৰ্ভূত হুয়া গেল।

ভোগ কৰিবাক নপাৰয় তথাপিতো আশা নছাৰয়

হৰি হৰি কিনো বিপৰীত ভৈল।। ৬৩০

বৃদ্ধসৰে জানা বিষয়ক ভোগ কৰিবাক নপাৰয়

ভক্তিহীন বৃদ্ধে তেজিতে সামৰ্থ নয়।

দশন-বিহীন কুত্তা যেন হাড় চোবাইবাক নপাৰয়

জিহ্বা লড়বড় কৰি মাত্ৰ চেলেকয়।। (*নামঘোষা*, ৬৩১)

শিশুসকলে সদায় ভোগৰ আশাত ডাঙৰ-দীঘল হয় আৰু ডেকাসকলে ভোগকেই জীৱন বুলি ভাবি ভোগতেই জীৱন অতিবাহিত কৰিব বিচাৰে। কিন্তু বৃদ্ধ লোকে ভোগ কৰিব নোৱাৰি ভোগৰ আশাত বাট চাই ৰৈ থাকে। ভোগৰ প্ৰতি জীৱৰ স্পৃহাক মাধৱদেৱে 'হৰি হৰি কিনো বিপৰীত ভৈল' বুলি আশ্চৰ্য প্ৰকাশ কৰিছে। তদুপৰি ভোগাসক্ত বৃদ্ধসকলক 'দশন-বিহীন কুত্তা'ৰ লগত তুলনা কৰিছে। কিয়নো বৃদ্ধ লোকৰ ভোগৰ আশা সদায় অতৃপ্ত হৈ ৰয়। গতিকে এই

পদকেইফাঁকিয়ে বাৰ্ধক্যৰ অতৃপ্ত বাসনাৰ ইংগিত বহন কৰিছে। মাধৱদেৱৰ একাংশ ‘বৰগীত’ত বৃদ্ধসকলৰ স্বৰূপ প্ৰকাশ পাইছে। অনিত্য সংসাৰত হৰিভক্তিয়েই শ্ৰেষ্ঠ আৰু সেইবাবে হৰিভক্তিত নিমজ্জিত হ’বলৈ বুঢ়া ভক্তক মাধৱদেৱে সোঁৱৰাই দিছে ঃ

বুঢ়া ভাই হৰিৰ গুণ গাই নাচা কোন দিনা ঢলি

শৰীৰ পৰয়, আৰ কি বাট চাই আছা। (বৰগীত, মাধৱদেৱ)

মাধৱদেৱৰ *অৰ্জুন ভঞ্জন* নাটখনত যশোদাই বৃদ্ধ নন্দৰ ওপৰত অভিমান কৰি ‘বুঢ়িয়া’ বুলি কুৎসা ৰটনা কৰাৰ বৰ্ণনা পোৱা যায়। ভট্টদেৱৰ *কথা ভাগৱত* গ্ৰন্থত বাৰ্ধক্যত পৰিয়ালক পোহপাল দিব নোৱৰা বৃদ্ধক ভাৰ্যা-পুত্ৰই পূৰ্বৰ দৰে আদৰ নকৰাৰ উল্লেখ পোৱা যায়[১৮] ঃ

বুঢ়া বলধক যেন গৃহস্থ নাদৰ।

.........................................

তাকো ভাৰ্য্যা পুত্ৰ সাৰ সেইমতে কৰে।।

তথাপি পাপীৰ তাৰ নাহি বিৰকতি।

নলৱে সাধুৰ সঙ্গ নকৰে ভকতি।। (*কথা ভাগৱত*, ১৩৮২)

চুলি পকা, দাঁত সৰা, উদৰ জঠৰ পৰা, খোজকাঢ়িব নোৱাৰা, বিছনাতে বিষ্ঠা ত্যাগ কৰা, গাৰ সমস্ত শক্তি কমি অহা, ভোজন কৰি হজম কৰিব নোৱাৰা বৃদ্ধসকলৰ জৰাগ্ৰস্ত অৱস্থাৰ বৰ্ণনা *কথা ভাগৱত*ত পোৱা যায়। সংসাৰযাত্ৰাত মৃত্যুৰ আগমুহূৰ্তলৈকে বাৰ্ধক্যৰ শাৰীৰিক অৱক্ষয় আৰু ৰোগত বিবৰ্ণ শৰীৰে কালৰ অধীন হৈ মায়া ত্যাগ কৰিব নোৱাৰাৰ বৰ্ণনা পোৱা যায়। বাৰ্ধক্যৰ যাতনা ভোগ কৰি অৱশেষত জীৱই অধোগতি লাভ কৰে ঃ

১৮। বিপিন চুতীয়া (সম্পা.), *সম্পূৰ্ণ অসমীয়া কথা-ভাগৱত*, পৃ. ১০৮

কোৰা পিতৃ কৈত থৈয়া আছা দ্ৰব্যচয়।

কালৰ অধীন হয়া উত্তৰ নেদয়।। (*কথা ভাগৱত*, ১৩৮৫)

*শ্ৰীমদ্ভগৱদ্‌গীতাত* জৰা-মৃত্যুৰ পৰা পৰিত্ৰাণ পাবলৈ যত্ন কৰা লোকসকলক পূৰ্ণব্ৰহ্ম, আধ্যাত্ম আৰু কৰ্মতত্ত্বৰ জ্ঞানেৰে জ্ঞানী বুলি 'জ্ঞান-বিজ্ঞানযোগ' অধ্যায়ত উল্লেখ পোৱা যায় ঃ

জৰামৰণমোক্ষায় মামাশ্ৰিত্য যতন্তি যে।

তে ব্ৰহ্ম তদ্বিদুঃ কৃৎস্নমধ্যাত্ম কৰ্ম চাখিলম্।। ২৯।।

(*শ্ৰীমদ্ভগৱদ্‌গীতা*; সপ্তম অধ্যায়, জ্ঞান-বিজ্ঞানযোগ)

গতিকে 'বৃদ্ধত্ব' বা 'বাৰ্ধক্য'ৰ ভাবনা মধ্যযুগীয় অসমীয়া বৈষ্ণৱ সাহিত্যত বিস্তৃত ৰূপত প্ৰতিফলন হোৱা দেখা যায়।

## ১.২ অসমীয়া কবিতাত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা ঃ

কবিতা জীৱন-চেতনা প্ৰকাশৰ মাধ্যম। কেৱল জীৱনেই নহয়, সমসাময়িক সমাজৰ প্ৰতিচ্ছবি কবিতাৰ মাজেৰে প্ৰকাশ পায়। সাহিত্যৰ আন আন শাখাৰ দৰে অসমীয়া কবিতাত বৃদ্ধসকলৰ জীৱনচিত্ৰ অংকন কৰা দেখা যায়। আন বিষয়তকৈ বৃদ্ধসকলৰ চিত্ৰ অসমীয়া কবিতাত তুলনামূলকভাৱে কম যদিও অসমীয়া শিশু-কবিতাসমূহত শিশু আৰু বৃদ্ধসকলৰ চিত্ৰ প্ৰতিফলন হৈছে। অসমীয়া বহুকেইটা শিশু-কবিতাত বৃদ্ধসকলৰ মানৱীয়তা, অভিভাৱকত্ব, চিন্তা-অনুভূতিয়ে কল্পনা, চিত্ৰকল্প আৰু প্ৰতীকৰ মাজেৰে ভুমুকি মাৰিছে। এনেবোৰ শিশু-কবিতাত উল্লেখ থকা বৃদ্ধসকলৰ চিত্ৰই অসমীয়া সমাজত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা জনাত সহায় কৰে। অসমীয়া কবিতাত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা নিৰ্ণয় কৰিবলৈ গ'লে প্ৰথমতেই লক্ষ্মীনাথ বেজবৰুৱাৰ নাম ল'ব লাগিব। বেজবৰুৱাৰ কবিতাত বৃদ্ধসকলৰ ভূমিকা উল্লেখযোগ্য। *কদমকলি*ৰ অন্তৰ্গত বহুকেইটা কবিতাত বেজবৰুৱাই বৃদ্ধসকলৰ চিত্ৰ অংকন কৰিছে। 'চিৰযৌৱন' কবিতাত ব্যক্তি চিৰতৰুণ হোৱাৰ মূলমন্ত্ৰ যে প্ৰেম— সেই কথা বেজবৰুৱাই অকপটে স্বীকাৰ কৰিছে। যাৰ অন্তৰত প্ৰেম বিৰাজমান,

তেওঁ কেতিয়াও বৃদ্ধ নহয় বুলি কবিতাটিত উল্লেখ পোৱা যায়।[১৯] বৃদ্ধ হ'ব নোখোজা সাধাৰণ লোকৰ বিপৰীতে ব্যতিক্ৰমী বেজবৰুৱাই বাৰ্ধক্যই জীৱনলৈ সুখানুভূতি কঢ়িয়াই আনে বুলি কবিতাটিত প্ৰকাশ কৰিছে।[২০]

ক'লা মূৰত হীৰাৰ মুকুট, কানুৰ কোলাত ৰাধা-গৌৰী, নীল আকাশত বগৰ শাৰী, ভোমোৰাৰ শুঙত ফুলৰ ৰেণু আদি উপমাৰে বেজবৰুৱাই পকা চুলিৰ ইংগিত দিছে। বাৰ্ধক্য-জীৱন উপভোগ কৰিবলৈ আৰু ৰসেৰে জীৱনপাত্ৰ পূৰাই ল'বলৈ বৃদ্ধসকলক বেজবৰুৱাই আহ্বান জনাইছে।[২১] চিৰদিন চিৰসেউজ হৈ থাকিব বিচৰা বেজবৰুৱাই বাৰ্ধক্যত বয়সৰ ওচৰত হাৰ মানিব খোজা নাই। মন বয়সতকৈ যে শক্তিশালী সেই কথা বেজবৰুৱাই 'ৰেণুকা' কবিতাটোৰ মাজেৰে প্ৰতিপন্ন কৰিব খুজিছে।[২২]

---

১৯। কোনে কৈছে বুঢ়া হ'লো মই?
সি যে ভাই মিছা কথা কয়। (লক্ষ্মীনাথ বেজবৰুৱা, 'চিৰযৌৱন')
নগেন শইকীয়া (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ২৬

২০। বাহিৰত মোৰ পকে চুলি,
ভিতৰত বাজে মৌ-সুতুলি,
ল'ৰাৰ কিৰীলি খলকত
মোৰ ৰঙৰ নাই ওৰ। (লক্ষ্মীনাথ বেজবৰুৱা, 'চিৰযৌৱন')
উল্লিখিত, পৃ. ৩১

২১। পকক চুলি, পকক মূৰ,
ৰসত হওক ভৰপূৰ, (লক্ষ্মীনাথ বেজবৰুৱা, 'পকা চুলি')
উল্লিখিত

২২। বয়সৰ শক্তি নাই আশা বিনাশিব,
ঈশ্বৰৰ অংশ আশা অমৃতত মিলিব। (লক্ষ্মীনাথ বেজবৰুৱা, 'ৰেণুকা')
উল্লিখিত, পৃ. ৪০

আনন্দচন্দ্ৰ আগৰৱালাৰ 'মৰমৰ আই' কবিতাত এগৰাকী স্নেহময়ী মাতৃৰ সন্তানৰ প্ৰতি থকা মৰম প্ৰকাশ পাইছে। দুখ-কষ্ট-ভাগৰ পাহৰি স্নেহসিক্ত মৰমেৰে সন্তানক ডাঙৰ-দীঘল কৰা শ্ৰদ্ধাৰ মাতৃগৰাকীৰ প্ৰতি কবিৰ ভক্তি দিনকদিনে বাঢ়ি অহাটো বাঞ্ছা কৰিছে। বাৰ্ধক্যই যাতে বৃদ্ধা মাতৃক মূল্যহীন কৰি নোতোলে, তাৰেই ইংগিত কবিতাটোত দিয়া হৈছে।[২৩]

শিশু আৰু বৃদ্ধ— এই দুটি প্ৰজন্মৰ এটি মধুৰ সম্পৰ্ক যতীন্দ্ৰনাথ দুৱৰাৰ 'ককা আৰু নাতি ল'ৰা' নামৰ শিশু-কবিতাত ফুটি উঠা দেখা যায়। ককা আৰু নাতি ল'ৰাই বালিৰ ঘৰ সাজি মিছা ধেমালিৰে সময় অতিবাহিত কৰিছে। নাতিয়েকৰ লগত সময় কটাই বৃদ্ধগৰাকীয়ে জীয়াই থকাৰ সঞ্জীৱনী লাভ কৰিছে। কবিতাটোত নাতিয়েকক পুৱাৰ কিৰণৰ লগত আৰু ককাকক সন্ধিয়াৰ হেঙুলি ৰহণৰ লগত তুলনা কৰা হৈছে। এজনৰ বৰ্তমান আৰু আনজনৰ অতীত প্ৰসংগই কবিতাটোক সংবেদনশীল কৰি তুলিছে।[২৪]

---

২৩। কোনে মোক তুলি-তালি কৰিলে ডাঙৰ
মৌসনা মিঠা মাতে পাহৰি ভাগৰ।
..........................................
মোৰ প্ৰতি এনে যাৰ মৰম অসীম
কেনেকৈ সিজনাক মই পাহৰিম?
চেনেহ ভকতি মোৰ বাঢ়োক সদায়
তযু চৰণত হেৰা মৰমৰ আই। (আনন্দচন্দ্ৰ আগৰৱালা, 'মৰমৰ আই')
নৰকান্ত বৰুৱা (সম্পা.), *মৰুৱা ফুল*, পৃ. ৬৫

২৪। ককা আৰু নাতি ল'ৰা একেলগে বহি
সাজিছে বালিৰ ঘৰ দুয়ো হাঁহি হাঁহি
.......................................
এজনে ৰঙেৰে চাই ভৱিষ্য মৰতি,
আনজনে ভাবে বহি অতীতৰ স্মৃতি। (যতীন্দ্ৰনাথ দুৱৰা, 'ককা আৰু নাতি ল'ৰা')
উল্লিখিত পৃ. ২১

এহাল নিঃসন্তান দম্পতীৰ সংসাৰ অভিজ্ঞতাৰ বৰ্ণনা অতুল চন্দ্ৰ হাজৰিকাৰ 'ওলট-পালট' কবিতাত প্ৰকাশ পাইছে। বাৰ্ধক্যত শাৰীৰিক শক্তি কমি অহাত নিজৰ কামকে কৰিবলৈ ব্যক্তি অসমৰ্থ, তেনেস্থলত এহাল বৃদ্ধ দম্পতীয়ে আত্মকন্দলৰ বাবে ইজনে সিজনৰ কাম ওলট-পালট কৰি কেনেদৰে এসেকা পাইছে, তাৰেই হাস্যৰসৰ সোৱাদ কবিয়ে পঢ়ুৱৈক দিছে।[২৫]

বিনন্দ চন্দ্ৰ বৰুৱাৰ 'নজনা বীৰৰ মূৰ' কবিতাত বৃদ্ধ ককাদেউতাকে নাতিনীয়েকক দেশপ্ৰেমেৰে উদ্বুদ্ধ কৰিব খুজিছে। ঐতিহ্য-সচেতন ককাদেউতাকৰ স্বদেশপ্ৰেমৰ জ্ঞান নাতিনীয়েকৰ বাবে অনুপ্ৰেৰণা। শৰাইঘাটৰ যুদ্ধত আহোমৰ সেনাপতি বীৰ লাচিতৰ বল-বিক্ৰমৰ কথা বৃদ্ধ ককাকে নাতিয়েকৰ আগত বৰ্ণনা কৰিছে। ককাদেউতাকৰ অতীতৰ স্মৃতিত শৰাইঘাট, গৌৰৱ আৰু অহংকাৰৰ প্ৰতীক হিচাপে বৃদ্ধগৰাকীৰ মানসপটত জিলিকি উঠিছে।[২৬]

---

২৫। এক আছিল বুঢ়া-বুঢ়ী
নাছিল সিহঁতৰ ল'ৰা-লুৰী
.................................
বুঢ়ীয়ে ক'লে লাপুং বুঢ়া
মিছা নকওঁ এক কড়া (অতুল চন্দ্ৰ হাজৰিকা, 'ওলট-পালট')
উল্লিখিত, পৃ. ১৯৯

২৬। কলীয়াই দিলে মৰাণ বুঢ়াক
নজনা বীৰৰ মূৰ
চন্দন কাঠৰ চিতাত জ্বলাই
বুকু যে পেলালে জুৰ। (বিনন্দ চন্দ্ৰ বৰুৱা, 'নজনা বীৰৰ মূৰ')
উল্লিখিত, পৃ. ২১১

প্ৰমোদ ভট্টাচাৰ্যৰ 'সেই দিন আৰু নাই' কবিতাত বৃদ্ধা আইতাকে নাতিয়েকৰ আগত হুমুনিয়াহ কাঢ়ি কালৰ সেই দিন নাই বুলি আক্ষেপ কৰিছে। নাতিয়েকেও তেওঁলোকৰ ল'ৰালিৰ কথা ভৱিষ্যতৰ নাতিয়েকহঁতক শুনাব আৰু আইতাক-নাতিয়েকৰ সুমধুৰ সম্পৰ্কৰ কথা ভৱিষ্যৎ প্ৰজন্মক বুজাই দিব বুলি আইতাকৰ ওচৰত প্ৰতিশ্ৰুতিৱদ্ধ হৈছে।[২৭]

বৃদ্ধ লোকক ঠগিলে জীৱনত কেতিয়াও কল্যাণ নহয়— সেই কথা লীলা গগৈৰ 'বুঢ়াৰ কচুখেতি' কবিতাত সাধুৰ চলেৰে উপদেশ দিছে। শিয়ালে বুঢ়া খেতিয়কক খেতি কৰিবলৈ পৰামৰ্শ দি ঠগোৱাৰ কাৰণে বৃদ্ধজনে যি মনোকষ্ট পাইছে, তাকেই সাধুৰ চলেৰে কবিতাটোত বৰ্ণনা কৰা হৈছে।[২৮]

প্ৰবীণা শইকীয়াৰ 'হেৰা পিতা লম্বোদৰ' কবিতাত বাৰ্ধক্যৰ প্ৰশান্তিৰ ধাৰণা ধৈৰ্য আৰু কঠিন

২৭। "কালৰ সোঁতত সকলো লুকাল
সেই দিন আৰু নাই—"
হুমুনিয়াহ কাঢ়ি আইতাই কয়
নাতিৰ মুখলৈ চাই।
........................
"ইদৰে আইতা আমিও জনাম
আমাৰ ল'ৰালি কথা;
নাতিল'ৰা হালে শুনিব নিৰলে
কৰিব চেনেহ বেথা। (প্ৰমোদ ভট্টাচাৰ্য, 'সেই দিন আৰু নাই')
উল্লিখিত, পৃ. ২৮-২৯

২৮। বুঢ়াই বুলিলে বুজিলো এতিয়া
শিয়ালৰ শিয়াল ৰাগি,
শাও দিলে তাক কল্যাণ নহ'ব
বুঢ়া মানুহক ঠগি। (লীলা গগৈ, 'বুঢ়াৰ কচুখেতি')
উল্লিখিত, পৃ. ২৪৯

শাৰীৰিক ব্যায়ামে আনিব পাৰে বুলি বৰ্ণনা কৰিছে।[২৯]

মিত্রদেৱ মহন্তৰ ‘মঙলমতিৰ মঙল’ কবিতাত বৃদ্ধ লোকৰ প্ৰিয় বস্তু জুহালৰ জুইকুৰাৰ জুতিৰ উল্লেখ পোৱা যায়।[৩০]

আৰ্থিক দৰিদ্ৰতাই জুৰুলা কৰা বৃদ্ধ লোকৰ জীৱনচিত্ৰৰ বাস্তৱ ৰূপ নীলমণি ফুকনৰ ‘মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি’ শীৰ্ষক আধুনিক অসমীয়া কবিতাটোত প্ৰকাশ পাইছে। এগৰাকী দৰিদ্ৰ বৃদ্ধাই আজাৰাৰ বজাৰত আৰ্থিক দীনতাৰ বাবে সহজলভ্য ঢেঁকীয়া শাক বেচিছে। বাৰ্ধক্যই নিৰ্মমভাৱে নিঠৰুৱা কৰা বৃদ্ধাগৰাকীৰ আৰ্থিক দীনতা মৰ্মস্পৰ্শী ৰূপত কবিতাটোত অংকন কৰা হৈছে। সেই বজাৰত দৰিদ্ৰ বৃদ্ধাই কেৱল ঢেঁকীয়া শাকেই বেচা নাই, কবিৰ দৃষ্টিত বেচিছে ঢেঁকীয়াসদৃশ বৃদ্ধাৰ বয়সৰ আঙুলিকেইটিক। সময়ৰ সোঁতত নিশ্চিহ্ন হৈছে বৃদ্ধাৰ আপোন গাঁও আৰু জীৱনসংগী বৃদ্ধ স্বামীৰ। বাৰ্ধক্যত স্বামীবিহীন জীৱন আৰু জীৱনপ্ৰীতিৰ মমত্বই বৃদ্ধাৰ জীৱনৰ শেষ সম্বল।

---

২৯। ডেকাজনে ক’লে, হেৰা পিতা লম্বোদৰ
চুলি পকি বগা হ’ল তোমাৰ মূৰৰ।
এই বয়সতো তুমি বৰ ধৈৰ্য্যৱান,
কঠিন ব্যায়াম দেখো কৰা ভালেমান। (প্ৰবীণা শইকীয়া, ‘হেৰা পিতা লম্বোদৰ’)
উল্লিখিত পৃ. ২৫৬

৩০। এক আছিল বুঢ়া।
ভাত নহক, পানী নহক
লাগে জুইকুৰা। (মিত্রদেৱ মহন্ত, ‘মঙলমতিৰ মঙল’)
উল্লিখিত, পৃ. ২৫৭-২৫৮

জীৱনৰ অফুৰন্ত হেঁপাহৰ বাবেই বৃদ্ধাগৰাকীয়ে জীয়াই থকাৰ স্পৃহা উপলব্ধি কৰিছে।[৩১]

কবি বিষ্ণুপ্ৰসাদ দুৱৰাৰ 'আইতাৰ বিয়া' কবিতাত নাতিয়েকহঁতে ওমলাৰ লগ বৃদ্ধা আইতাকৰ মিছা বিয়া পাতিব খুজিছে। বৃদ্ধা আইতাকে নাতিয়েকহঁতৰ আগত তেওঁক বিয়া পাতিবলৈ অহা দৰাৰ বিৱৰণ দাঙি ধৰিছে। আইতাকৰ কথাত উৎসুকতা বৃদ্ধি পোৱা নাতিয়েকহঁতে অৱশেষত আইতাকৰ দৰা মৃত্যুৰ ৰজা 'যমদূত' বুলি জানিব পাৰি আচৰিত হৈ পৰে। বৃদ্ধা আইতাকৰ জৰিয়তে কবিতাটোত বাৰ্ধক্যৰ চেতনা প্ৰকাশ পাইছে।

হোমেন বৰগোহাঞিৰ 'আইতা' কবিতাত কবিয়ে আনুষ্ঠানিক শিক্ষা নোপোৱা এগৰাকী বৃদ্ধা আইতাৰ বৰ্ণনা দিছে। পঢ়াশলীয়া শিক্ষা নথকা বৃদ্ধা আইতাৰ চিনাকি পৃথিৱীখন এধানমানি যদিও আইতাৰ অভিজ্ঞতাৰ পৰিসৰ কিন্তু বৃহৎ। জহৰ দিনত চোতালত পাটী পাৰি আৰু জাৰৰ গধূলি জুশালত আইতাই কোৱা মহাভাৰত, ৰামায়ণ, দেৱতা, ভূত, প্ৰেত, অপেশ্বৰীৰ সাধুবোৰে কবিৰ অতীতৰ বহু মধুৰ স্মৃতি জীপাল কৰি তুলিছে।

বাৰ্ধক্যত পত্নীবিয়োগৰ নিঃসংগতা আৰু অতীতৰ স্মৃতি ৰোমন্থন কৰি আক্ষেপ কৰা নবৈে-

---

৩১। মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি

আজাৰৰ আন্ধাৰত তয়ে বেচ

.....................................

বাই তোৰ কোন গাঁৱত ঘৰ

পিন্ধনে জেতুকা তই ফাটি যোৱা কলিজাত

(নীলমণি ফুকন, 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি')

*কবিতা মঞ্জৰী*, পৃ. ১০২

ঊৰ্দ্ধ্বৰ কবি নলিনীধৰ ভট্টাচাৰ্যৰ 'তোমালৈ' কবিতাত পোৱা যায়।[৩২]

বিংশ আৰু একবিংশ শতিকাৰ সমাজ-জীৱনৰ দ্ৰুত পৰিৱৰ্তন, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব সাফল্যই মানুহৰ জীৱনৰীতি আৰু চিন্তা-চেতনালৈ পৰিৱৰ্তন আনিছে। এই সময়ছোৱাত বৃদ্ধসকলক লৈ ৰচিত আধুনিক অসমীয়া কবিতাসমূহত তেওঁলোকৰ জীৱনৰ নিঃসংগতাৰ বেদনা আৰু বাৰ্ধক্যৰ হৃদয়বিদাৰক চিত্ৰ প্ৰকাশ পাইছে। কবি শ্বৰীফা খাতুন চৌধুৰীৰ 'ক'লা গোলাপৰ বাগিচা', কবীন ফুকনৰ 'ভ্ৰম', লুট্‌ফা হানুম চেলিমা বেগমৰ 'দেহবিচাৰ', তৰুণ বৰুৱাৰ 'এজন বৃদ্ধৰ অজীৰ্ণ উগাৰ' আৰু 'বৃত্ত এটাৰ মাজত এজন বৃদ্ধ আৰু এজন তৰুণ', জোনমণি দাসৰ 'আইতা', মৃদুল কুমাৰ সন্দিকৈৰ 'দুজন বৃদ্ধ মানুহ আৰু এটা পুৰণি ঘৰ', মৃণাল কুমাৰ গগৈৰ 'দেউতা', মাখন কলিতাৰ 'ওভতনি যাত্ৰা', নীলকান্ত শইকীয়াৰ 'অকলশৰীয়া মানুহ' আদি বহুকেইটা আধুনিক কবিতাত বাৰ্ধক্য-জীৱনৰ চিত্ৰ, আধুনিক বৃদ্ধসকলৰ মনৰ নতুন নতুন জটিলতা আৰু একাকিত্বৰ পৰিচয় পোৱা যায়।

গতিকে অসমীয়া শিশু-কবিতাৰ দৰে অসমীয়া আধুনিক কবিতাতো বাৰ্ধক্য-জীৱনৰ চিত্ৰৰ প্ৰতিফলন হোৱা দেখা যায়।

### ১.৩ অসমীয়া নাটকত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা ঃ

যুদ্ধকালীন আৰু স্বাধীনতা-পৰৱৰ্তী কালছোৱাত সংঘটিত নানা ঘটনাই দৰ্শকৰ ৰুচিলৈ পৰিৱৰ্তন আনিছে। ফলস্বৰূপে সাহিত্যৰ আন আন শাখাৰ দৰে অসমীয়া নাটকৰ বিষয়বস্তু, ভাব-চিন্তা আৰু গতি-প্ৰকৃতিলৈও পৰিৱৰ্তন আহিছে। পূৰ্বৰ পৌৰাণিক, ঐতিহাসিক আৰু শ্বেইক্সপীয়েৰীয় ৰোমাণ্টিক ভাবপ্ৰধান নাটকৰ ঠাইত বিংশ শতিকাৰ পঞ্চাশ-যাঠিৰ দশকত পাৰিবাৰিক, সামাজিক

---

৩২। নব্বৈটা বসন্ত পাৰ কৰিলোঁ। চিতাৰ জুইত ধোঁৱা হৈ তুমি
মাটি পানী বায়ুত মিলি গ'লা। সেই দিন ধৰি কংক্ৰিটৰ হাবিত মই
হতাশ, উদাস, নিঃসংগ জীৱ। নীৰৱে চকুলো টুকিছোঁ। (নলিনীধৰ ভট্টাচাৰ্য, 'তোমালৈ')

নলিনীধৰ ভট্টাচাৰ্য, 'নব্বৈ-উৰ্দ্ধ কবিৰ প্ৰেমৰ কবিতা', *সাতসৰী,* অনুৰাধা শৰ্মা পূজাৰী (সম্পা.), মে', ২০১২, পৃ. ৩৩

আৰু মনস্তাত্ত্বিক সংঘাত প্ৰতিফলিত এক শ্ৰেণী নাটকৰ বিষয়বস্তুক অসমীয়া নাট্যপ্ৰেমী দৰ্শকে আদৰি ল'বলৈ ধৰে। দৃশ্য, শ্ৰব্য আৰু পাঠ্য— ত্ৰিগুণ শিল্পসম্পন্ন অসমীয়া নাটকে সাহিত্যৰ আন শাখাবোৰতকৈ সহজতে দৰ্শক আৰু পঢ়ুৱৈক আকৰ্ষণ কৰিবলৈ লয়। অসমীয়া নাটকৰ ক্ষেত্ৰখনত পোনপ্ৰথমে জ্যোতিপ্ৰসাদ আগৰৱালাই পশ্চিমীয়া নাট্যৰীতিৰ আধাৰত প্ৰচেনিয়াম মঞ্চৰ যোগেদি সামাজিক সমস্যাক নাট্যৰূপ দিয়াৰ চেষ্টা কৰে। বাৰ্ধক্যৰ কাহিনী আৰু চৰিত্ৰ চিত্ৰণ অসমীয়া নাটকত কেনেদৰে প্ৰতিফলন ঘটিছে, তলত এটি চমু বিশ্লেষণ দাঙি ধৰা হ'ল।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কাল্পনিক নাটক *ৰূপালীম* (১৯০৮)ত বৃদ্ধ পিতৃ জুনাফাই দেহৰ শক্তি কমি অহাত সুন্দৰী গাভৰু জীয়াৰী ৰূপালীমক নিৰাপত্তা দিব পৰা নাই। শাৰীৰিক আৰু আৰ্থিক দুৰ্বলতাৰ বাবে প্ৰান্তদেশৰ অধিপতি মণিমুগ্ধৰ সৈন্য-সামন্তই বৃদ্ধ জুনাফাক মাৰধৰ কৰি ৰূপালীমক বলপূৰ্বক কাৰেঙলৈ লৈ যায়। নিঃসহায় বৃদ্ধ জুনাফাই ৰূপালীমক মণিমুগ্ধৰ হাতৰ পৰা উদ্ধাৰ কৰিব নোৱাৰি মনৰ ৰোষত জ্বলি উঠে— "...তই সহিব লাগিব। তই সকলো সহিব লাগিব। কিয় তোৰ শক্তি নাই? তই কিয় দুৰ্বল হৈ সংসাৰলৈ আহিছিলি?"[৩৩] বাৰ্ধক্যৰ শাৰীৰিক অৱক্ষয় আৰু আৰ্থিক দীনতাৰ বাবে বৃদ্ধ জুনাফাই অৱশেষত মণিমুগ্ধ আৰু তেওঁৰ সৈন্য-সামন্তৰ হাতত অপদস্থ হ'ব লগাত পৰে। আনকি মৰমৰ জীয়াৰী ৰূপালীমক চিতাত পুৰি মৰা অৱস্থাতো নিঃসহায় বৃদ্ধ পিতৃয়ে মানসিক যন্ত্ৰণাত চটফটাই সকলো নীৰৱে সহ্য কৰে। নাটখনত জীয়াৰীক প্ৰতিৰক্ষা দিবলৈ অসমৰ্থ এজন অসহায় বৃদ্ধ পিতৃৰ শাৰীৰিক আৰু আৰ্থিক দুৰৱস্থাৰ চিত্ৰ তুলি ধৰা হৈছে।

অভিনেতা-নাট্যকাৰ ফণী শৰ্মাৰ *চিৰাজ* (১৯৫৭) নাটখনত চিৰাজ নামৰ এজন মুছলমান বৃদ্ধৰ হৃদয়ৰ মহানুভৱতা, মানৱীয়তা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি দেখুওৱা হৈছে। চিৰাজ চৰিত্ৰৰ লগত জ্যোতিপ্ৰসাদ আগৰৱালাৰ *লভিতা* নাটকৰ ইলাহী বক্স নামৰ মুছলমান সম্প্ৰদায়ৰ বৃদ্ধ চৰিত্ৰটোৰ সাদৃশ্য দেখা যায়। চিৰাজ আৰু ইলাহী বক্স— দুয়োগৰাকী মুছলমান বৃদ্ধ লোকৰ মহানুভৱতা নাট্যকাৰে নাটক দুখনত তুলি ধৰিছে। হিন্দু ছোৱালীক পৰিস্থিতিৰ তাড়নাত নিজৰ ঘৰত স্থান দিবলৈ গৈ দুয়োগৰাকী মুছলমান সম্প্ৰদায়ৰ বৃদ্ধই মানসিক জটিলতাৰ সন্মুখীন হৈছে।

৩৩। জ্যোতিপ্ৰসাদ আগৰৱালা, *ৰূপালীম,* পৃ. ১৩

বাৰ্ধক্যৰ স্বৰূপ প্ৰতিফলিত আন এখনি অসমীয়া সামাজিক নাটক লক্ষ্যধৰ চৌধুৰীৰ *নিমিলা অংক* (১৯৬৫)। নাটকখনত বাষষ্ঠি বছৰীয়া পেন্সনধাৰী বৃদ্ধ হৰকান্তৰ পাৰিবাৰিক অশান্তি, আৰ্থিক দীনতা, অপৰাধী হৈ পুলিচৰ হাতত গ্ৰেপ্তাৰ হোৱা আৰু পুত্ৰশোকত ব্যথিত পিতৃৰ মানসিক জটিলতাৰ সাৰ্থক ৰূপায়ণ দেখা যায়। নিম্ন-মধ্যবিত্ত পৰিয়ালৰ মুৰব্বী হৰকান্তই প্ৰথমা পত্নীৰ মৃত্যুৰ পাছত দ্বিতীয়া পত্নী বিমলা আৰু পুত্ৰহঁতৰ উচ্ছৃংখল আৰু ধোঁৱাখুলীয়া স্বভাৱৰ বাবে বাৰ্ধক্যত মানসিকভাৱে ভাগি পৰিছে। পাৰিবাৰিক অশান্তি আৰু আৰ্থিক দীনতাত উপায়ান্তৰ নাপাই নুমলীয়া পুত্ৰৰ চিকিৎসাৰ কাৰণে পৰিস্থিতিত পৰি অফিচৰ পৰা বৃদ্ধ হৰকান্তই ধন আত্মসাৎ কৰে। হৰকান্তৰ চাৰিত্ৰিক স্খলন আৰু মৃত পুত্ৰৰ শোকত ম্ৰিয়মাণ এজন বৃদ্ধ পিতৃৰ মানসিক দুৰৱস্থাৰ চিত্ৰ নাটকখনত অংকন কৰা হৈছে।

এজন অৱসৰপ্ৰাপ্ত আদৰ্শৱান অধ্যাপক বৃদ্ধ প্ৰতাপ চলিহাৰ অতীত জীৱনৰ ৰহস্যক লৈ সৃষ্টি হোৱা মানসিক অন্তৰ্দ্বন্দ্বৰ প্ৰতিচ্ছবি সত্যপ্ৰসাদ বৰুৱাৰ *শিখা* (১৯৫৭) নাটকখনত পৰিলক্ষিত হৈছে। বৃদ্ধ চলিহাই মৰমৰ জীয়াৰী শিখাক প্ৰদীপলৈ বিয়া দিব নোৱাৰাৰ প্ৰধান কাৰণ বাইশ বছৰৰ আগৰ তেওঁৰ অতীতৰ সুপ্ত জীৱনৰ এক ৰহস্য। অতীতৰ ৰহস্যক ৰহস্য কৰি ৰাখিব বিচৰা বৃদ্ধ চলিহা শেষত মানসিক অন্তৰ্দ্বন্দ্বত হৃদৰোগত আক্ৰান্ত হয়। সমাজ আৰু পৰিয়ালত আদৰ্শৰ দোহাই দিয়া চলিহাই অতীতৰ ৰহস্যক সকলোৰে পৰা লুকুৱাই ৰাখিলেও বাৰ্ধক্যৰ আত্ম-অনুশোচনাত নিজকে প্ৰতাৰণা কৰিব নোৱাৰিলে। অৱশেষত জীৱনৰ অব্যক্ত ৰহস্যক শিখা আৰু প্ৰদীপৰ আগত মানসিক জটিলতাৰে প্ৰকাশ কৰিবলৈ বাধ্য হৈছে।

> চলিহা ঃ মোৰ অভিজ্ঞতা, মোৰ জ্ঞান-জেউতি সকলো ভুল। ওৰে জীৱনটো মই তহঁতক ফাঁকি দি আহিছোঁ। কল্পনাৰ কাৰেং সাজিছিলোঁ, আদৰ্শৰ সপোন দেখিছিলোঁ, তহঁতৰ অনাবিল প্ৰেমৰ চৰম সাৰ্থকতাৰ বাটত দিছিলোঁ হেঙাৰ। কিন্তু যদি জানিলিহেঁতেন কিহৰ কাৰণে...[৩৪]

এজন অভিজ্ঞ বৃদ্ধ পিতৃয়ে অতীতৰ ভুলখিনি সময়ত স্বীকাৰ কৰিব নোৱৰাৰ বাবে জীয়েকৰ

৩৪। সত্যপ্ৰসাদ বৰুৱা, *শিখা*, পৃ. ৯৬

জীৱন ধ্বংস হৈছে। সন্তানৰ প্ৰতি থকা স্নেহ আৰু নিজৰ ভুল স্বীকাৰ কৰিব নোৱাৰি বৃদ্ধ পিতৃয়ে মানসিক যন্ত্ৰণাত চট্‌ফটাই শেষত জীয়েকক সম্ভাব্য বিপদৰ পৰা উদ্ধাৰ কৰিব বিচাৰিছে। জীয়াৰীৰ প্ৰতি থকা স্নেহ আৰু মমত্বৰ বাবে এজন বৃদ্ধ পিতৃয়ে মানসিক জটিলতাত ভোগাটো নাটকখনত প্ৰত্যক্ষ কৰা হৈছে।

বাৰ্ধক্যৰ চিত্ৰ প্ৰকাশিত অৰুণ শৰ্মাৰ এখনি মঞ্চ-সফল নাট *শ্ৰীনিবাৰণ ভট্টাচাৰ্য* (১৯৬৭)। অভিনয়-কলা আৰু নাট্যচৰ্চাত নিজকে উৎসৰ্গা কৰা ৫৯ বছৰীয়া অভিনয়প্ৰাণ ব্যক্তি শ্ৰীনিবাৰণ ভট্টাচাৰ্য। বিপত্নীক শ্ৰীভট্টাচাৰ্য চাৰিটি পুত্ৰ আৰু এগৰাকী জীয়াৰীৰ হতাশাগ্ৰস্ত বৃদ্ধ পিতৃ। আৰ্থিক দৈন্যৰ প্ৰতি অসচেতন শ্ৰীভট্টাচাৰ্য অভিনয় পেছাৰ অনুৰাগী। বাৰখন নাটকত অভিনয় কৰি দৰ্শকৰ সঁহাৰি নাপাই ত্ৰয়োদশ নাটকখন লিখি শ্ৰীভট্টাচাৰ্যই দৰ্শকৰ অপেক্ষাত বাট চাই ৰয়। আধুনিক আৰু বৌদ্ধিক ব্যক্তিৰ কলা, নাট্য, সংস্কৃতিৰ প্ৰতি অনীহা, অৱহেলা আৰু গুৰুত্বহীনতাই শিল্পীজনক হতাশ কৰিছে। এগৰাকী নাট্যপ্ৰেমী বৃদ্ধ শিল্পীৰ মানসিক চাপ, সমাজ আৰু পৰিয়ালৰ অৱজ্ঞা আৰু উপেক্ষাৰ কৰুণ চিত্ৰ নাট্যকাৰ শৰ্মাই নাটকখনত ফুটাই তুলিছে। শিল্পী শ্ৰীনিবাৰণ ভট্টাচাৰ্যই অৱশেষত মনৰ জটিলতাৰে আত্মহত্যাৰ পথ বাছি লৈছে।

এজন সংস্কৃতিৱান বৃদ্ধই যুৱপ্ৰজন্মক শংকৰী সংস্কৃতিৰ পৰম্পৰা আৰু সাধনাৰ আদৰ্শ দেখুৱাবলৈ গৈ সমাজত অপদস্থ হোৱাৰ চিত্ৰ যুগল দাসৰ *বায়ন খোল* (১৯৮২) নাটকখনিৰ বায়ন চৰিত্ৰটোত অংকন কৰা হৈছে। বৃদ্ধ বায়নে গাঁওখনত শংকৰী কৃষ্টি-সংস্কৃতি ধৰি ৰাখিবলৈ শংকৰ গুৰুৰ তিথিভাগত 'ৰামবিজয়' নাটেৰে শ্ৰদ্ধা যাচিবলৈ আয়োজন কৰে। তৰুণ প্ৰজন্মৰ অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰতি থকা অৱহেলা আৰু বিজতৰীয়া সংস্কৃতিৰ প্ৰতি আকৰ্ষণ দেখি শংকৰী কৃষ্টিৰ সাধক বৃদ্ধ বায়ন মানসিকভাৱে ভাগি পৰে। প্ৰজন্মৰ সংঘাত, মূল্যবোধৰ অভাৱ আৰু ৰুচিবোধৰ পৰিৱৰ্তনেই বৃদ্ধ বায়নৰ মানসিক অন্তৰ্দ্বন্দ্বৰ কাৰক।বৃদ্ধ বায়নে আপোন চোতালখনতে থাপনা পাতি ধূপ, বন্তি জ্বলাই অকলশৰে গুৰুজনালৈ শ্ৰদ্ধা নিবেদন কৰে। গাঁওখনৰ কাৰোৰে সহযোগ নোপোৱা বায়নে মনৰ জটিলতাৰে খোলটো বজাই বজাই দেওধনি উঠি চোতালতে বেহুঁচ হৈ পৰে। বৃদ্ধ বায়নৰ আপোন সংস্কৃতিক জীয়াই ৰখাৰ হেঁপাহ আৰু বাৰ্ধক্যৰ আঁকোৰগোজ স্বভাৱ চৰিত্ৰটোত ফুটি উঠিছে। তৰুণ

প্ৰজন্মৰ মনৰ অনুভূতি বুজিব পাৰি বৃদ্ধ বায়নে অৱশেষত মনৰ জটিলতাক বিসৰ্জন দিছে।

বাৰ্ধক্যৰ মানসিক চিত্ৰ প্ৰতিফলিত আন এখন অসমীয়া নাটক ৰাম গোস্বামীৰ *মাদল* (২০১৩)। চাহ বাগিচাৰ পটভূমিত ৰচিত নাটকখনৰ জগৰু এজন তিনিকুৰি বছৰীয়া বৃদ্ধ। পত্নীয়ে এৰি যোৱাৰ পাছৰে পৰা কণমানি জীয়াৰী লচমীৰ দায়িত্ব বহন কৰা বৃদ্ধ জগৰুৰ সন্তানৰ প্ৰতি থকা মমত্ব নাটকখনিত ফুটি উঠিছে। স্বাভিমানী বৃদ্ধ জগৰুৱে চাহ বাগানৰ কামৰ পৰা অৱসৰ ল'লেও বিপদত ধৈৰ্য আৰু সাহসেৰে গাঁওখনৰ লগতে চাহ মজদুৰসকলৰ বিপদত মুৰব্বী হৈ থিয় দিছে। নাটকখনত বৃদ্ধ জগৰুৰ কৰ্মস্পৃহা, সৰলতা আৰু সমাজত অন্যায়-অত্যাচাৰৰ প্ৰতিবাদ কৰা এজন সৰল বৃদ্ধৰ প্ৰতিচ্ছবি ফুটি উঠিছে।

আৱেগমিশ্ৰিত আৰু সংঘাতপূৰ্ণ জীৱনচিত্ৰ অংকন কৰা ভ্ৰাম্যমাণৰ নাট্যকাৰ ভবেন্দ্ৰনাথ শইকীয়াৰ বহুকেইখন নাটকত বৃদ্ধ লোকৰ মানসিক চিত্ৰৰ প্ৰতিফলন ঘটিছে। পাৰিবাৰিক জীৱনত বৃদ্ধ পিতৃ-মাতৃৰ নিঃসংগতাৰ বেদনা হৃদয়স্পৰ্শী ৰূপত শইকীয়াই *শতাব্দী* নাটকখনত দাঙি ধৰিছে। নাটকখনত জীৱনৰ সৰ্বস্ব ত্যাগ কৰি সন্তানক ডাঙৰ-দীঘল কৰা এহাল বৃদ্ধ দম্পতী বাৰ্ধক্যত নিঃসহায় হৈ পৰাৰ মৰ্মস্পৰ্শী চিত্ৰ ফুটি উঠিছে। বাৰ্ধক্যজনিত অসুস্থতাত হতাশ হৈ পৰা বৃদ্ধ স্বামী-স্ত্ৰীৰ মনোবেদনা নাটকখনত আৱেগিক ৰূপত প্ৰকাশ পাইছে।

> সনাতন ঃ ...আমাৰ আৰু এইখন সংসাৰত কি কৰিবলৈ বাকী থাকিল কোৱাচোন। থাকিলনে কিবা? যদি কৰিবলৈ একোৱেই নাই, পাবলৈ একোৱেই নাই, তেনেহ'লে আমি এনেকৈ থাকোঁ কিয়? এই বেমাৰবোৰৰ কাৰণে আমি কম কষ্ট পাইছোঁনে? দিনৰ পাছত দিন, ৰাতিৰ পাছত ৰাতি— ইমান কষ্ট, ইমান যন্ত্ৰণা![৩৫]

ল'ৰা-ছোৱালীৰ উচ্চ শিক্ষা আৰু উচ্চ আকাংক্ষাক লৈ সোণৰ সপোন ৰচা বৃদ্ধ পিতৃ-মাতৃয়ে মুখেৰে প্ৰকাশ নকৰিলেও মনেৰে সময় আৰু পৰিস্থিতিত নিজৰ লগত থকাটো বিচাৰে। সন্তানক সপোন

৩৫। শ্ৰীনগেন শৰ্মা (সম্পা.), *ভবেন্দ্ৰনাথ শইকীয়াৰ নাট্যসম্ভাৰ*, পৃ. ৯৬৮

ৰচিবলৈ শিকোৱা বৃদ্ধ পিতৃ-মাতৃয়ে সন্তানে নিজৰ সপোন নিজে ৰচাৰ মানসেৰে ব্যস্ততাপূৰ্ণ পৃথিৱীত ভৰি দিয়াত নিঃসংগতাৰ বেদনাত হতাশ হৈ পৰে। বাৰ্ধক্যত সন্তানৰ বোজা হৈ পৰিবলগীয়া স্বাভিমানী বৃদ্ধ পিতৃ-মাতৃৰ মানসিক যন্ত্ৰণা নাটকখনত সনাতন-শীতলা বৃদ্ধ স্বামী-স্ত্ৰীৰ চৰিত্ৰৰ মাজেৰে প্ৰকাশ পাইছে।

> সনাতন ঃ আৰু,— আমাৰ কাৰণে ইহঁতজাকৰো কিমান অসুবিধা হৈছে চোৱাচোন। সিহঁতৰ হাতত ইমান ডাঙৰ ডাঙৰ কাম; সেইবোৰ নকৰি সিহঁত আমাৰ ওচৰলৈ দৌৰি আহিব লাগে। ...আমিতো এতিয়া সিহঁতক একো সহায় কৰিব পৰা নাই! এনেকৈ জীয়াই থাকি আমি সিহঁতক কষ্টহে দিছোঁ! সেই কাৰণে কৈছোঁ— সিহঁতকো মুকলি কৰি দিওঁ, আমিও মুকলি হৈ যাওঁ![৩৬]

নিজৰ সপোন লৈ ব্যস্ত প্ৰৱাসী পুত্ৰহঁতৰ বিচ্ছেদ আৰু বাৰ্ধক্যৰ শাৰীৰিক-মানসিক যন্ত্ৰণা, নিঃসংগতাৰ বেদনা উপশম ঘটাবলৈ অৱশেষত বৃদ্ধ দম্পতীয়ে আত্মহত্যাৰ পথ বাছি লৈছে। সন্তানক বৃদ্ধ পিতৃ-মাতৃৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সচেতন কৰিবলৈ নাট্যকাৰে বৃদ্ধ চৰিত্ৰ দুটিৰ মনস্তাত্ত্বিক দিশত গুৰুত্ব আৰোপ কৰিছে।

ভবেন্দ্ৰনাথ শইকীয়াৰ *সমুদ্ৰ মন্থন* নাটকখনত পৰিয়ালৰ বাবে ঐশ্বৰ্যৰ সমুদ্ৰ মন্থন কৰা গৌৰীশংকৰে বাৰ্ধক্যত একাকিত্ব, হতাশা আৰু শূন্যতাৰে জীৱনৰ অতৃপ্ত বাসনা লাভ কৰিব লগা হৈছে। পত্নীবিহীন গৌৰীশংকৰ সময় আৰু পৰিৱেশৰ পৰিৱৰ্তনশীল গতিত বাৰ্ধক্যত নিঃসংগ আৰু একাকিত্বৰ সন্মুখীন হোৱা প্ৰত্যক্ষ হৈছে। "...অথচ এনে এটা সময় আছিল, এইটো ঘৰত আগফালৰ মূল দুৱাৰখনে তৰণিয়েই নাপাইছিল। এই বন্ধ কৰ, আকৌ খোল! আকৌ বন্ধ...।"[৩৭] ভবেন্দ্ৰনাথ শইকীয়াৰ *নীলকণ্ঠী, স্বৰ্ণজয়ন্তী*— এই দুখন পাৰিবাৰিক নাটকতো সাম্প্ৰতিক সময় আৰু পৰিৱেশে নিঃসংগ কৰা বৃদ্ধ লোকৰ মনৰ জটিলতা দেখা যায়।

নাট্যকাৰ-পৰিচালক অবিনাশ শৰ্মাৰ সাতখন নাটৰ সমষ্টি *সপ্তনাটক* (২০১৭)। বৃদ্ধসকলৰ

৩৬। উল্লিখিত, পৃ. ৯৬৯
৩৭। উল্লিখিত, পৃ. ১০১১

মনস্তাত্ত্বিক দিশৰ প্ৰতিচ্ছৱি শৰ্মাৰ প্ৰায়কেইখন নাটকতে দৃষ্টিগোচৰ হৈছে। এগৰাকী বৃদ্ধাৰ নিঃসংগ জীৱন আৰু অতীতৰ স্মৃতি ৰোমন্থনৰ এক বাস্তৱ চিত্ৰ হৃদয়স্পৰ্শী ৰূপত তেওঁৰ *ন হন্যতে* নাটত ফুটি উঠিছে। এগৰাকী বিধৱা বৃদ্ধাৰ অতীতৰ স্মৃতিচাৰণ আৰু স্বামীৰ লগত একত্ৰ হৈ পৰা অস্তিত্বক মনে-প্ৰাণে উপলব্ধি কৰাৰ বৰ্ণনা নাটকখনত পোৱা যায়। জীৱনৰ অন্তিম লক্ষ্য আৰু মোক্ষপ্ৰাপ্তিৰ নিদৰ্শন পৰম আত্মাৰ লগত বিলীন হোৱাৰ আত্মিক আনন্দ, একাকিত্বৰ চিত্ৰ বৃদ্ধা চৰিত্ৰটোৰ জৰিয়তে নাটকখনত দেখুৱাইছে। শৰ্মাৰ আন এখনি নাটক *নিঃসংগ নায়ক* নটসূৰ্য ফণী শৰ্মাৰ বাৰ্ধক্যৰ যাযাবৰী জীৱনক অৱলম্বন কৰি নাট্যৰূপ দিছে। ফণী শৰ্মাৰ বাৰ্ধক্যৰ অভাৱ-অনাটন আৰু যন্ত্ৰণাকাতৰ মনৰ চিত্ৰ নাট্যকাৰে হৃদয়স্পৰ্শী ৰূপত নাটকখনত তুলি ধৰিছে। অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি* উপন্যাসৰ আধাৰত ৰচিত শৰ্মাৰ আন এখনি নাটক *জলছবিত* মানসিক ৰোগে বাৰ্ধক্যত নিঃসহায় কৰা এগৰাকী বৃদ্ধাৰ কৰুণ বৰ্ণনা দাঙি ধৰিছে। বাৰ্ধক্যৰ প্ৰত্যাহ্বান আৰু বাৰ্ধক্যজনিত 'ডিমেনছিয়া' ৰোগত আক্ৰান্ত এগৰাকী আত্মাভিমানী বৃদ্ধাৰ অতিৰিক্ত মানসিক চাপৰ বৰ্ণনা মৰ্মস্পৰ্শী ৰূপত নাটকখনত অংকন কৰা হৈছে। শৰ্মাৰ বাৰ্ধক্যৰ চিত্ৰ প্ৰকাশিত আন এটি গল্প 'ফটো'। গল্পকাৰ ভৃংগেশ্বৰ শৰ্মাৰ গল্পৰ আধাৰত নাট্যৰূপ দিয়া নাটকখনত প্ৰজন্মৰ ব্যৱধান, বৃদ্ধ পিতৃ-মাতৃৰ প্ৰতি থকা সন্তানৰ উপেক্ষা, সহানুভূতিহীন অৱস্থা আৰু বাৰ্ধক্যৰ নিৰাপত্তাহীনতাৰ চিত্ৰ ফুটি উঠিছে।

> বৰুৱা ঃ থাকিম। কিয় নাথাকিম। হেৰা, হাতুৰীয়ে আইনা ভাঙে, কিন্তু তীখা পোন কৰে। বিপদেও তেনেকৈ তোমাক মুচৰি পেলাব পাৰে, নহ'লেবা পোন কৰি তুলিব পাৰে। কেৱল নিৰ্ভৰ কৰে তুমি কি ধাতুৰে গঢ়া। আইনা নে তীখা?[৩৮]

অসমীয়া সাহিত্যৰ বহুকেইখন একাংকিকা নাটকত বৃদ্ধ লোকৰ মানসিক স্থিতি অৱলোকন কৰা হৈছে। ভোলা কাকতিৰ *বিভ্ৰাট* নাটকত বিবাহিতা কন্যাৰ প্ৰতি এজন বৃদ্ধ পিতৃৰ স্নেহ আৰু সমাজৰ কঠোৰ অনুশাসনত পৰি সৃষ্টি হোৱা মানসিক অন্তৰ্দ্বন্দ্বৰ চিত্ৰ ফুটাই তোলা হৈছে। প্ৰজন্মৰ সংঘাত, যৌৱন আৰু বাৰ্ধক্যৰ বিৰোধক কেন্দ্ৰ কৰি ৰচনা কৰা বীণা বৰুৱাৰ (বিৰিঞ্চিকুমাৰ বৰুৱা) *এবেলাৰ নাটত* পৰম্পৰাবিশ্বাসী বৃদ্ধ পিতৃৰ লগত পুত্ৰৰ আদৰ্শ আৰু মূল্যবোধৰ দ্বন্দ্ব দেখা যায়।

৩৮। অবিনাশ শৰ্মা, *সপ্তনাট*, দৃশ্য-১৪

অতিৰিক্ত মানসিক চাপ আৰু উচ্চ ৰক্তচাপজনিত ৰোগত অৱশেষত বৃদ্ধ পিতৃয়ে শেষ নিশ্বাস ত্যাগ কৰে।

গতিকে ন-পুৰণি বহুকেইখন অসমীয়া নাটকত বৃদ্ধসকলৰ বাৰ্ধক্য-জীৱনৰ চিত্ৰ প্ৰতিফলন ঘটা দেখা যায়।

## ১.৪ অসমীয়া গল্পত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা ঃ

অসমীয়া গল্পত বৃদ্ধসকলৰ প্ৰসংগ উত্থাপন হোৱা দেখা যায়। সমকালীন সমাজচেতনা আৰু মানৱতাবোধৰ প্ৰতিফলন লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ প্ৰধান বৈশিষ্ট্য। তেওঁৰ গল্পত সমসাময়িক সমাজৰ বৃদ্ধসকলৰ বাৰ্ধক্য-চিত্ৰৰ সূক্ষ্ম পৰ্যবেক্ষণ পৰিলক্ষিত হৈছে। বেজবৰুৱাৰ 'পাতমুগী' আৰু 'কাশীবাসী' গল্পত বৃদ্ধ লোকৰ জীৱনচিত্ৰ প্ৰতিফলন দেখা যায়। পঞ্চাছ বছৰীয়া দদাইৰ সুপ্তমনত অৱদমিত জৈৱিক আকাংক্ষাৰ স্বৰূপ বেজবৰুৱাৰ 'পাতমুগী' গল্পত প্ৰকাশ পাইছে। কালানুক্ৰমিক বয়সৰ হিচাপেৰে সাম্প্ৰতিক সময়ত পঞ্চাশ বছৰীয়া দদাই কিন্তু বৃদ্ধ নহয়। বেজবৰুৱাৰ সমকালীন সমাজত কিন্তু পঞ্চাশ বছৰক শাস্ত্ৰমতে বৃদ্ধ বুলি ধৰা হৈছে। মনৰ জৈৱিক প্ৰবৃত্তিৰ তাড়না আৰু মনক সংযত কৰাৰ উপৰুৱা প্ৰচেষ্টা— এনে দ্বৈত চেতনাই গল্পটিত দদাইৰ মনত জটিলতা সৃষ্টিৰ অন্যতম কাৰণ। অৱদমিত জৈৱিক আকাংক্ষাৰ বাবে বৃদ্ধ দদাইৰ মনত জটিলতাৰ সৃষ্টি হৈছে। বেজবৰুৱাৰ আন এটি গল্প 'কাশীবাসী'ত এগৰাকী আশীবছৰীয়া দুৰ্ভগীয়া বৃদ্ধাৰ অতীত স্মৃতি ৰোমন্থন, সুদীৰ্ঘ দিন ধৰি পৰিয়ালৰ লগত হোৱা বিচ্ছেদ, বেদনাবিধুৰ অন্তৰেৰে আপোনজনক লগ পোৱাৰ অদম্য হাবিয়াস, আপোন ভাষাৰ প্ৰতি গভীৰ আকৰ্ষণ প্ৰকাশ পাইছে। পৰিয়ালৰ পৰা আঁতৰি থকা এগৰাকী নিঃসংগ বৃদ্ধাৰ আপোনজনলৈ, ঘৰখনলৈ, পৰিয়ালৰ সদস্যলৈ থকা মৰমৰ টান আৰু অতীতৰ স্মৃতি ৰোমন্থন হৃদয়স্পৰ্শী ৰূপত গল্পটোত বৰ্ণনা কৰিছে।

গাঁৱলীয়া সমাজত সংঘটিত এটি পৰিয়ালকেন্দ্ৰিক সংঘাতে দুজন বৃদ্ধৰ সৌহাৰ্দ্যত কেনেদৰে অন্তৰায় সৃষ্টি কৰিছে তাৰেই বৰ্ণনা শৰৎচন্দ্ৰ গোস্বামীৰ 'ৰক্তবীজ' গল্পত ফুটাই তুলিছে। সমাজৰ দুজন বৰমূৰীয়া বৃদ্ধৰ আন্তৰিকতা, মিলাপ্ৰীতি আৰু সৎ আদৰ্শই একত্ৰিত কৰি ৰখা গাঁৱৰ সমাজখনক দুই বৃদ্ধৰ পুত্ৰহঁতৰ পৰিয়ালকেন্দ্ৰিক সংঘাতে সৃষ্টি কৰা বিচ্ছেদৰ বৰ্ণনা গল্পটিত পোৱা যায়। পুত্ৰহঁতক

বুজাবলৈ চেষ্টা কৰিও বিফল হোৱা দুই বৃদ্ধৰ হতাশাগ্ৰস্ত চিত্ৰই গল্পটোক বেদনাসিক্ত কৰি তুলিছে। প্ৰজন্মৰ সংঘাতৰ ফলত সৃষ্টি হোৱা মানসিক চাপে তাৰে এজন বৃদ্ধৰ মৃত্যু ঘটোৱাত আনজন বৃদ্ধই মৃত বন্ধুৰ খবৰ কৰিবলৈ গৈ কেনে অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হৈছে, সেই বৰ্ণনা গল্পটোত তুলি ধৰা হৈছে। বন্ধুৰ শ্ৰাদ্ধলৈ গৈ বৃদ্ধগৰাকীয়ে অপদস্থ হ'ব লগাৰ কথা শুনি তেওঁৰ পুত্ৰই পিতৃৰ ওপৰত নাৰাজ হৈ পৰা আৰু পুত্ৰৰ অভব্য আচৰণ গল্পটোত প্ৰকাশ পাইছে। "বুৰা, বুৰা বুৰা! বুঢ়া হৈ যায় মানে বুদ্ধি হত হৈ যায়। ইমান হাক, তেওঁ শুনিছিল না! এতিয়া মজাটো চাওক আহি।"[৩৯] গল্পটোত আন্তৰিক-সুহৃদ বৃদ্ধ দুজনৰ এজনৰ মৃত্যুৱে আনজনক জীৱন্তে মৃত্যু দিছে। এনেদৰে বৃদ্ধ লোকৰ চিন্তা-চৰ্চাক গুৰুত্ব নিদিয়া সাম্প্ৰতিক সময়ৰ তৰুণ প্ৰজন্মৰ ধৈৰ্য-সহ্যহীন স্বভাৱ, ভণ্ডামি আৰু মইমতালিয়ে গাঁৱৰ একত্ৰিত সমাজখনত কেনেদৰে ফাট মেলিবলৈ ধৰিছে, তাৰেই চিত্ৰ ফুটাই তোলা হৈছে। গল্পটোত তৰুণ প্ৰজন্মই বৃদ্ধ লোকৰ স্বাধীনতা আৰু নিৰাপত্তাক খৰ্ব কৰাৰ চিত্ৰও দৃষ্টিগোচৰ হৈছে।

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ 'ৰসায়ন' গল্পত এজন বৃদ্ধৰ তৰুণ হোৱাৰ হাৱিয়াস আৰু জীৱনৰ নানা লটিঘটিৰ বৰ্ণনা পোৱা যায়। বাৰ্ধক্যৰ প্ৰতি সহানুভূতিহীন অৱস্থা আৰু প্ৰকৃতিৰ বিপৰীতে গৈ এজন বৃদ্ধৰ যৌৱন ঘূৰাই সংসাৰী হোৱাৰ প্ৰবল ইচ্ছাক গল্পটোত প্ৰাধান্য দিয়া হৈছে। বাৰ্ধক্যক বাধা দিবলৈ কৰা বৃথা চেষ্টা আৰু যৌৱন ঘূৰাই পাবলৈ উত্ৰাৱল হোৱা এজন বৃদ্ধৰ শাৰীৰিক আৰু মানসিক বিসংগতিৰ চিত্ৰ গল্পটোত প্ৰকাশ পাইছে। জীৱনৰ শেষ কালছোৱাত বৃদ্ধগৰাকীয়ে মানসিক অস্থিৰতাত দিন কটাবলৈ বাধ্য হৈছে।

এজন বৃদ্ধৰ পত্নীৰ লগত থকা বয়সৰ অন্তৰায়ে দাম্পত্য জীৱনলৈ কেনেদৰে জটিলতা কঢ়িয়াই আনিছে, সেয়া লক্ষ্মীনাথ ফুকনৰ 'মেধি' গল্পত প্ৰত্যক্ষ হৈছে। যুৱতী পত্নীয়ে নতুনকৈ সংসাৰ আৰম্ভ কৰিবলৈ যোৱাত সহজ-সৰল বৃদ্ধ মেধিয়ে পত্নীৰ প্ৰতি কোনো ক্ষোভ নাৰাখি পত্নীৰ সাঁচতীয়া টকাকেইটা পঠিওৱাৰ বন্দৱস্ত কৰায়। বাৰ্ধক্যত সকলো সহজভাৱে স্বীকাৰ কৰি ল'ব পৰা এজন বৃদ্ধৰ মনৰ সহানুভূতি গল্পটোত ফুটি উঠিছে। বৃদ্ধ চৰিত্ৰক পটভূমি হিচাপে লোৱা ফুকনৰ আন এটি

৩৯। লীলাৱতী শইকীয়া বৰা (সম্পা.), *অসমীয়া চুটিগল্পৰ প্ৰবাহ*, পৃ. ১৬

গল্প ‘টাইপিষ্টৰ জীৱন’। মাণিক শইকীয়া নামৰ বৃদ্ধ টাইপিষ্টজনৰ সততা, ভণ্ড ওপৰৱালা বিষয়াৰ স্বাৰ্থপৰতাত কলুষিত হোৱাৰ মৰ্মস্পৰ্শী বৰ্ণনা গল্পটিত প্ৰকাশ পাইছে। ভোগবাদী সমাজত সৎ বৃদ্ধ লোকে সমাজত অপদস্থ হোৱাৰ ভয়ত কেনে মানসিক যন্ত্ৰণাৰ সন্মুখীন হয়, তাৰেই কাৰুণ্য গল্পটিত পৰিদৃষ্ট হৈছে।

বীণা বৰুৱাৰ ‘আঘোণী বাই’ গল্পত আঘোণী নামৰ এগৰাকী বিধৱা বৃদ্ধাৰ লেঙেৰী নাতিয়েকক লৈ জীয়াই থকাৰ দুৰ্বাৰ মোহ মৰ্মান্তিক ৰূপত ফুটি উঠিছে। জীৱন-সংঘাতৰ বাবে দৰিদ্ৰ বৃদ্ধা আঘোণীয়ে পংগু নাতিনীয়েকক বুকুৰ উমেৰে ডাঙৰ কৰি নিৰাশাৰ মাজতো আশাৰ ৰেঙনি দেখা পাইছে। “লেঙেৰী হৈ উপজিলি ভালেই হ’ল— লয়নীৰ নিচিনাকৈ মোক আৰু এৰি থৈ যাব নোৱাৰিবি।”[৪০] বাৰ্ধক্যৰ নিৰাপত্তাহীনতা আৰু আৰ্থিক যন্ত্ৰণা সত্ত্বেও বৃদ্ধা আঘোণীয়ে নাতিনীয়েকৰ পংগু অৱস্থাৰ বাবে কোনো আক্ষেপ কৰা নাই।

লক্ষ্মীধৰ শৰ্মাৰ ‘চিৰাজ’ গল্পত এজন বৃদ্ধ মুছলমান সম্প্ৰদায়ৰ লোকৰ মহানুভৱতাৰ পৰিচয় পোৱা যায়। বৃদ্ধ চৰিত্ৰটোত সমাজৰ শুভচিন্তা কৰোঁতা এজন অভিজ্ঞ বৃদ্ধৰ মানৱতাৰ স্বৰূপ ফুটি উঠিছে।

এজন পঁচপন্ন বছৰীয়া বৃদ্ধই কম বয়সীয়া তৰুণী পত্নীক বিয়া কৰাই কেনে মানসিক সংঘাতৰ সন্মুখীন হৈছে, সেয়া চৈয়দ আব্দুল মালিকৰ ‘ঢাকনি’ গল্পত প্ৰকাশ পাইছে। “কিন্তু মোৰ যে ডাড়ি পকিবৰ বয়স হ’ল— সেইটো লুকাবৰ চেষ্টা কৰি কিবা লাভ আছে জানো, বুজিছা নাজী, মই এটা বুঢ়া মানুহ। Your husband is an old man.”[৪১] বাৰ্ধক্যৰ জৈৱিক অক্ষমতাই অনা মানসিক জটিলতাৰ কৰুণ ৰূপ কলাত্মকভাৱে গল্পটোত তুলি ধৰা হৈছে।

মহিম বৰাৰ ‘টোপ’ গল্পত নায়ক হৰিবল ককায়ে বাৰ্ধক্যত কৰ্মব্যস্ততাৰে সময় অতিবাহিত কৰাৰ চিত্ৰ প্ৰত্যক্ষ হৈছে। গল্পকাৰে গল্পটোত কাৰো অন্যায় চিন্তা নকৰা, নৈতিক চৰিত্ৰৰ প্ৰতি

৪০। প্ৰ াদ কুমাৰ বৰুৱা, *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃ. ১০৩

৪১। চৈয়দ আবদুৰ মালিক, ‘ঢাকনি’, *ৰামধেনু* , বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য (সম্পা), ১৫ বছৰ ২য় সংখ্যা, পৃ. ১৪৮

সচেতন, উদাসীন জীৱন যাপন কৰা বৃদ্ধ ককায়ে সৰু সৰু ল'ৰা-ছোৱালীক বৰশীত বটীয়া বাটি দিয়া, বৰশী বালে সফল হোৱাৰ মন্ত্ৰ আওৰাই দিয়া আদি— এজন কৰ্মোদ্যমী আৰু মানসিকভাৱে সবল বৃদ্ধৰ চিত্ৰ ফুটাই তুলিছে। মহিম বৰাৰ আন এটি গল্প 'স্মৃতিগন্ধা'ত বিপত্নীক বৃদ্ধ জনাৰ্দন চৌধুৰীৰ বাৰ্ধক্যৰ নিঃসংগতাৰ বেদনা আৰু অকলশৰীয়া জীৱনৰ হৃদয়স্পৰ্শী ৰূপ পোৱা যায়। "পঁইসত্তৰ বছৰেই মানুহৰ বিয়া কৰোৱাৰ প্ৰকৃত বয়স! পঁইসত্তৰ বছৰীয়া পুৰুষৰ একমাত্ৰ আশ্ৰয়স্থলেই হ'ল তেওঁৰ পত্নী।"[৪২] পৃথিৱীৰ নতুন যুগৰ সূচনাত বৃদ্ধসকল হৈ পৰিছে যুগৰ আটাইতকৈ আওপুৰণি বস্তু। সমাজ আৰু পৰিয়ালত নিজকে বোজা বুলি মনত ভ্ৰান্ত ধাৰণা লৈ ফুৰা বৃদ্ধ লোকৰ চিত্ৰ গল্পটোত প্ৰকাশ পাইছে— "মুঠতে তেওঁলোক বোজাস্বৰূপ। আনকি চৰকাৰেও নিবিচাৰে— তেওঁলোক দীৰ্ঘজীৱী হৈ বহুদিন পেন্সন ভোগ কৰক।"[৪৩] বৃদ্ধ চৌধুৰীৰ অতীত স্মৃতি ৰোমন্থনে অতীতৰ প্ৰেমিক মনটোক জগাই তোলাটো গল্পটোত পৰিলক্ষিত হৈছে।

ভবেন্দ্ৰনাথ শইকীয়াৰ 'গ্ৰহণ' আৰু 'বানপ্ৰস্থ' দুয়োটা গল্পতে বাৰ্ধক্যৰ চিত্ৰ প্ৰতিফলন হোৱা দেখা যায়। ডেকাকালত বাৰ্ধক্যৰ প্ৰতি সচেতন আৰু বাৰ্ধক্যত কাকো আমনি নকৰাৰ সংকল্প গ্ৰহণ কৰা এগৰাকী বৃদ্ধৰ মানসিক জটিলতা 'গ্ৰহণ' গল্পটোত ফুটি উঠিছে।

> আমি এটা কাম কৰিম বুইছা। আমি বুঢ়া হ'লে এই বুঢ়া-বুঢ়ীবিলাকৰ নিচিনা টিপিকেল বুঢ়া-বুঢ়ী নহওঁ। এই যে দেখিছা এই বুঢ়া-বুঢ়ীবিলাকৰ সদায় পুতেক-জীয়েকহঁতক লৈ অশান্তি, আমি তেনেকুৱা অশান্তি হ'বলৈ নিদিওঁ।[৪৪]

আনৰ ঘৰত আমনি কৰিব নিবিচৰা, অতীতত সংকল্পবদ্ধ হোৱা ব্যক্তিগৰাকীয়ে বাৰ্ধক্যত সংগ বিচাৰি আনৰ ঘৰত আলহী হোৱা, সভা-সমিতিত বিচৰণ কৰি ঘূৰি ফুৰা দেখা গৈছে। গল্পটোত সমাজ আৰু পৰিয়ালে গুৰুত্ব দিব নোখোজা এজন বৃদ্ধৰ মানসিক অৱসাদৰ যন্ত্ৰণা ফুটি উঠিছে। গল্পটোৰ জৰিয়তে সাম্প্ৰতিক সময়ৰ বৃদ্ধ লোকৰ নিঃসংগতাৰ বেদনা স্পষ্ট হৈ পৰিছে।

---

৪২। হীৰেন গোহাঁই (সম্পা.), *মহিম বৰা গল্প-সমগ্ৰ*, পৃ. ৮৯

৪৩। উল্লিখিত, পৃ. ৯০

৪৪। হৃদয়ানন্দ গগৈ (সম্পা.), *গল্প আৰু শিল্প*, পৃ. ৩১৯

এগৰাকী বৃদ্ধাৰ আৰ্থিক দীনতা আৰু অবিবাহিতা জীয়েকহঁতক লৈ সৃষ্টি হোৱা মানসিক জটিলতা ভবেন্দ্ৰনাথ শইকীয়াৰ 'বানপ্ৰস্থ' গল্পত তুলি ধৰা হৈছে। আৰ্থিক দীনতাৰ বাবে বৃদ্ধাগৰাকীয়ে জী-নাতিক চম্ভালিবলৈ জীয়েক-জোঁৱায়েকৰ ঘৰত থাকিবলৈ মানসিকভাৱে সাজু হৈছে। "কেঁচুৱাৰ মাক হোৱাটো উলামুলা কথা নহয়।... বহুত কথা পাহৰিছোঁ যদিও বহুত কথা মনত আছে। তহঁতেবা আকৌ মোক নিয়নে নিনিয় ?"[৪৫] আৰ্থিক আৰু শাৰীৰিক অৱনতিৰ বাবে সংসাৰৰ দায়িত্ব ল'ব নোৱৰা এগৰাকী বয়োবৃদ্ধাৰ মনোবেদনা গল্পটোত মৰ্মান্তিক ৰূপত প্ৰকাশ পাইছে।

বাৰ্ধক্যত নিজকে মূল্যহীন বুলি ভবা এজন বৃদ্ধৰ মানসিক অন্তৰ্দ্বন্দ্বৰ ছবি হোমেন বৰগোহাঞিৰ 'হাতী' গল্পত বৰ্ণিত হৈছে। পুতেকহঁতৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণা আৰু মূল্যবোধৰ লগত সংঘাত অহা বৃদ্ধ বলোৰাম মেধিয়ে আপোন ঘৰখনতে অবাঞ্ছিত হৈ পৰাৰ ভ্ৰান্ত ধাৰণা মনত পুহি ৰাখিছে। গল্পটোত এগৰাকী বৃদ্ধৰ নিঃসংগতাৰ বেদনা, প্ৰতিপত্তি হেৰুওৱাৰ আশংকা আৰু বাৰ্ধক্যত মূল্যহীন হৈ পৰাৰ ভাবনা প্ৰকট হৈছে। বৰগোহাঞিৰ আন এটি হৃদয়স্পৰ্শী গল্প 'শিল্প'ত বৃদ্ধ পিতৃৰ স্মৃতি নিঃশেষ কৰিব খোজা, অতীতক নিশ্চিহ্ন কৰিব বিচৰা এহাল তৰুণ প্ৰজন্মৰ ডেকা-গাভৰুৰ পিতৃ-মাতৃৰ প্ৰতি অশ্ৰদ্ধাৰ মনোভাব প্ৰকাশ পাইছে। এগৰাকী বৃদ্ধা মাতৃৰ অতীতৰ স্মৃতি ৰোমন্থন, পো-জীৰ শৈক্ষিক মূল্যবোধৰ অভাৱ আৰু আদৰ্শহীন শিক্ষাই পুৰণি প্ৰজন্মক অসহায় আৰু হতাশাগ্ৰস্ত কৰাৰ নিদৰ্শন গল্পটোত ফুটি উঠিছে।

সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেক্ট্ৰন' গল্পত পুত্ৰৰ ভৰপূৰ সংসাৰত থাকিও এগৰাকী বৃদ্ধই শাৰীৰিক আৰু মানসিক যন্ত্ৰণাত অস্থিৰ হৈ পৰিছে। উচ্চ ৰক্তচাপত ভোগা বৃদ্ধগৰাকীয়ে পো-বোৱাৰীৰ সংসাৰত নিজকে খাপ খুৱাব নোৱাৰি শাৰীৰিক অশান্তিতকৈ মানসিক অশান্তিৰে দিন কটাইছে।

---

৪৫। উল্লিখিত, পৃ. ৩৭৫

> ...কোনেও যেন ভালকৈ দু-আষাৰ কথা পাতিব নোখোজে, সকলোৱে যেন বৃদ্ধক এৰাই চলিব খোজে, দুৰ্বল শৰীৰ, ক্ষীণ দৃষ্টিশক্তি লৈ বৃদ্ধই খবৰকাগজৰ পৰা পৃথিৱীৰ স্পন্দনটো অনুভৱ কৰিবৰ চেষ্টা কৰে...[৪৬]

আধুনিক বৃদ্ধ লোকৰ অন্তঃসাৰশূন্য মনৰ নিঃসংগতা, পৰিয়ালৰ অমনোযোগ, বাৰ্ধক্যই নিঠৰুৱা কৰা শাৰীৰিক যন্ত্ৰণাৰ চিত্ৰ অনুভূতিসিক্ত আৰু ব্যঞ্জনাধৰ্মী ৰূপত গল্পটোত প্ৰকাশ পাইছে। চলিহাৰ আন এটা গল্প 'দেউতা আৰু আমি'ত বৃদ্ধ-মনস্তত্ত্বত সৃষ্টি হোৱা জটিলতাৰ স্বৰূপ প্ৰকাশ পাইছে। বাৰ্ধক্যত চাৰিত্ৰিক পৰিৱৰ্তন ঘটা বহুবল্কী বৃদ্ধ পিতৃয়ে সংগ আৰু সুযোগৰ অভাৱত বহু কথা মনৰ মাজত ৰাখি থয় যদিও অৱদমিত বিচিত্ৰ মনত অপ্ৰকাশিত অভিজ্ঞতাবোৰ আনৰ আগত প্ৰকাশৰ সুযোগ বিচাৰি ফুৰে। গল্পটোত বৃদ্ধ পিতৃৰ অৱদমিত জীৱন-অভিজ্ঞতা আৰু মনৰ ভাবৰাশি পৰিয়ালৰ আগত ব্যক্ত কৰাৰ সুযোগ বিচৰাৰ অজুহাত পৰলক্ষিত হৈছে।

বৃদ্ধ-মনস্তত্ত্বৰ প্ৰতিফলন বাস্তৱ জীৱনৰ চিনাকি সহজ-সৰল জীৱনৰ চিত্ৰ, মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ স্বৰূপ, অতীতৰ স্মৃতি ৰোমন্থন মহেন্দ্ৰ বৰঠাকুৰৰ 'উৎপলাৰ বিয়া', 'তহঁতৰ মাজত মই অকলশৰে', 'দিবৈ নৈ এজোপা বুঢ়া গুলঞ্চ আৰু...' আদি কেইবাটাও গল্পত দৃষ্টিগোচৰ হৈছে।

গল্পকাৰ শীলভদ্ৰৰ প্ৰায়বোৰ গল্পৰ চৰিত্ৰই কালানুক্ৰমিক বয়সক অতিক্ৰম কৰা দেখা যায়। জীৱন-অভিজ্ঞতাৰ ব্যাপ্তিয়ে শীলভদ্ৰৰ গল্পক এক নতুন মাত্ৰা দিছে। বৃদ্ধ লোকৰ চিত্ৰ প্ৰকাশিত শীলভদ্ৰৰ গল্পসমূহৰ ভিতৰত 'এজন বৃদ্ধ লেখক', 'কোনো ক্ষোভ নাই', 'বুঢ়াবোৰ', 'লেখকৰ সমস্যা' উল্লেখযোগ্য। 'এজন বৃদ্ধ লেখক' গল্পত এজন জৰাগ্ৰস্ত লেখকৰ মনৰ অৱদমিত হতাশা প্ৰকাশ পাইছে— "আজিকালি মোৰ ওচৰলৈ মানুহ-দুনুহ বিশেষ নাহে। আহিবই বা কিয়? মই এতিয়া কাক কি দিব পাৰোঁ, কাৰ কাৰণে কি কৰিব পাৰোঁ? প্ৰয়োজন নাথাকিলে অগ্ৰং-বগ্ৰং কথা পাতিবৰ বাবে অহাৰ কাৰ সময় আছে?"[৪৭] সমাজৰ অৱজ্ঞা আৰু কৰ্মোদ্যমৰ মানসিক সংঘাত আৰু বাৰ্ধক্যৰ

---

৪৬। সৌৰভ কুমাৰ চলিহা, *ছয় দশকৰ গল্প*, পৃ. ১৭

৪৭। শীলভদ্ৰ, *শীলভদ্ৰৰ গল্পসমগ্ৰ ২*, পৃ. ৩৮৪

নৈৰাশ্যই সত্তাক তীব্ৰ আঘাত হনা শীলভদ্ৰৰ আন এটা  হৃদয়স্পৰ্শী গল্প 'কোনো ক্ষোভ নাই'। এজন বৃদ্ধৰ মানসিক অৱসাদ গল্পটোত প্ৰকাশ পাইছে। সাম্প্ৰতিক সমাজত বৃদ্ধ লোকৰ উপেক্ষা-অৱজ্ঞাৰ চিত্ৰ শীলভদ্ৰৰ 'বুঢ়াবোৰ' গল্পত ফুটি উঠিছে। নৈৰাশ্যই মৃত্যুতুল্য কৰা অৱসৰপ্ৰাপ্ত ভূপতি চৌধুৰীৰ নিঃসংগতাৰ বেদনা, সংশয়, দ্বিধা আৰু হতাশাগ্ৰস্ত জীৱনৰ বাস্তৱ ৰূপ গল্পটোত অংকন কৰা হৈছে। নিজেই গল্প লিখি পত্ৰিকাৰ সম্পাদকলৈ পঠিয়াবলৈ কুণ্ঠাবোধ কৰা প্ৰবীণ লেখক শীলভদ্ৰৰ অভিজ্ঞতা-প্ৰকাশক আন এটা গল্প 'লেখকৰ সমস্যা'। এজন বৃদ্ধ লেখকৰ মনৰ সংবেদনশীল ৰূপ গল্পটোত প্ৰকাশ পাইছে। বৃদ্ধ লেখক বুলি সম্পাদকে অৱজ্ঞা কৰাৰ এক ভ্ৰান্ত ধাৰণা মনত লৈ থকা বৃদ্ধ লেখকগৰাকীয়ে শেষত জীৱন-প্ৰত্যাশাৰে সৃষ্টিশীল কৰ্ম কৰিবলৈ অনুপ্ৰেৰণা পায়।

মামণি ৰয়ছম গোস্বামী (মামণি গোস্বামী)ৰ 'সন্ধি' গল্পত এগৰাকী বৃদ্ধা মাতৃৰ মমত্বই পুত্ৰৰ ভগা সংসাৰ জোৰা লগোৱাৰ অপ্ৰাণ চেষ্টা চলাইছে। এগৰাকী বৃদ্ধা মাতৃৰ জীৱন-অভিজ্ঞতাত আৱেগ আৰু বিবেকৰ সন্ধিয়ে পো-বোৱাৰীৰ ভাগিবলৈ ধৰা সংসাৰখন জোৰা লগাবলৈ যাওঁতে সন্মুখীন হোৱা মানসিক জটিলতা গল্পটোত ফুটি উঠিছে। গোস্বামীৰ আন এটা গল্প 'সংস্কাৰ'ত বয়োজ্যেষ্ঠ পীতাম্বৰ মহাজনে বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰে বংশৰক্ষাৰ নামত পুত্ৰ কামনা কৰি কেনে হতাশা আৰু নিৰাশাৰ সন্মুখীন হৈছে, তাৰেই  মৰ্মস্পৰ্শী বৰ্ণনা তুলি ধৰিছে।

গোৱিন্দ প্ৰসাদ শৰ্মাৰ 'অসম্পূৰ্ণ' গল্পটোত চাৰিকুৰি বছৰীয়া এজন বৃদ্ধৰ জীৱনৰ অপূৰ্ণতাৰ ধাৰণা বাস্তৱ ৰূপত প্ৰকাশ পাইছে। বাৰ্ধক্যৰ অনুশোচনাই বৃদ্ধগৰাকীক জীৱনত চিৰসত্যৰ মুখামুখি কৰাইছে— "আমি কামেৰে জোখা, কামেৰে চিনি পোৱা মানুহতকৈ মনেৰে চিনি পাবলগীয়া, মনেৰে জুখিবলগীয়া মানুহ আচলতে বেছি বিচিত্ৰ আৰু বেছি মোহনীয়।"[৪৮]

বিশ্বায়নৰ আমোল পৰিৱৰ্তনত অসমীয়া জাতি-সমাজ-সংস্কৃতিলৈ অহা মূল্যবোধৰ অৱক্ষয়ে বৃদ্ধসকলক কেনেদৰে সৰ্বস্বান্ত কৰিছে, তাৰেই প্ৰতিচ্ছবি পূৰবী বৰমুদৈৰ 'এটা নতুন সাধুকথা', 'বজাৰৰ দাম', 'অন্য আকৰ্ষণ' গল্পত প্ৰকাশ পাইছে। এগৰাকী নিঃসংগ বৃদ্ধাৰ বাৰ্ধক্যৰ স্বৰূপ আৰু

৪৮। গোৱিন্দ প্ৰসাদ শৰ্মা , 'অসম্পূৰ্ণ', *সাতসৰী*, অনুৰাধা শৰ্মা পূজাৰী (সম্পা.), অক্টোবৰ, ২০১৬, পৃ. ৮৪

কৌশলগতভাৱে সাধুকথাক পুনৰ্নিৰ্মাণ কৰাটো 'এটা নতুন সাধুকথা' গল্পত প্ৰত্যক্ষ কৰা হৈছে। বৰমুদৈৰ 'বজাৰৰ দাম' গল্পত মানৱ জীৱনৰ স্খলিত মানৱীয় মূল্যবোধৰ চিত্ৰ ফুটি উঠিছে। জন্মদাত্ৰী মাতৃক পুত্ৰহঁতে বাৰ্ধক্যত বজাৰত বিক্ৰী কৰাৰ যো-জা চলোৱাৰ এক হৃদয়স্পৰ্শী ৰূপ গল্পটোত বৰ্ণনা কৰিছে। ঘৰুৱা কাম-বন কৰিব পৰা, ৰান্ধনীৰ দায়িত্ব ল'ব পৰা, কেঁচুৱা নিচুকাব জনা, আনকি স্বাস্থ্য পৰীক্ষা কৰি ডাক্তৰৰ চাৰ্টিফিকেট দেখুৱাই ল'ৰাহঁতে মাকক দহ হাজাৰ স্বৰ্ণমুদ্ৰাৰ বিনিময়ত বিক্ৰী কৰাৰ মৰ্মান্তিক দৃশ্য গল্পটোত অংকন কৰা হৈছে। বাৰ্ধক্যৰ চিত্ৰ প্ৰকাশিত বৰমুদৈৰ আন এটি গল্প 'অন্য আকৰ্ষণ'ত বাৰ্ধক্যৰ নিঃসংগতাত এজন অৱসৰী বৃদ্ধই অকলশৰীয়া জীৱনত সংগীৰূপে পশুপ্ৰীতিকে আদৰি লৈছে। বৃদ্ধগৰাকীয়ে নিঃসংগতা আৰু মনৰ একাকিত্বত মেকুৰী এজনীকে জীৱনৰ সংগী কৰি লৈছে। পৰিয়ালৰ লোকে অবাঞ্ছিত বুলি মেকুৰীজনী ক'ৰবাত এৰি থৈ অহাত বৃদ্ধ হাজৰিকাৰ নিঃসংগতাৰ বেদনা পূৰ্বতকৈ বৃদ্ধি পায়। এফালে বাৰ্ধক্যৰ মৃত্যুমুখী বেদনা আৰু আনফালে মনৰ জটিলতাই বৃদ্ধগৰাকীক মানসিক অন্তৰ্দ্বন্দ্বত ভোগাইছে। বৰমুদৈৰ 'পৰ্যটন', 'মৃত্যু হয় মৃত্যুৰহে', 'বেলিৰ দেশ', 'উত্তাপৰ সন্ধান', 'ঔ কুঁৱৰী আৰু এটা সপোন' আদি বিভিন্ন গল্পত বাৰ্ধক্য-চিত্ৰৰ প্ৰতিফলন ঘটিছে।

গল্পকাৰ কুল শইকীয়াই বাৰ্ধক্যৰ নিঃসংগতাৰ বেদনা 'আৱৰ্ত', 'শৃংখল', 'স্মৃতিৰ বাবে জবাফুল' আদি কেইবাটাও গল্পত অংকন কৰিছে। জীৱনতকৈ জীৱন নিৰ্বাহৰ বাবে ৰখা ঘৰখনৰ আচবাবৰ লগত এজন বৃদ্ধৰ অন্তৰৰ সজীৱতা তেওঁ 'আৱৰ্ত' গল্পৰ মাজেৰে ফুটাই তুলিছে। শইকীয়াৰ আন এটি আৱেদনশীল গল্প 'শৃংখল'ত প্ৰজন্মৰ ব্যৱধানক ফটোৰ দ্বাৰা মানসিকভাৱে সংলগ্ন কৰিব বিচাৰিছে। 'স্মৃতিৰ বাবে জবাফুল' গল্পটোত বাৰ্ধক্যৰ এটা মাৰাত্মক ৰোগ 'আলঝেইমাৰ'ৰ প্ৰসংগ উত্থাপন কৰা হৈছে। মানসিক জটিলতাৰ বাবে বৃদ্ধগৰাকীয়ে মানসিক চাপৰ পৰা 'ষ্ট্ৰেছ ফ্ৰী' হ'ব পৰা নাই।

অপূৰ্ব শৰ্মাৰ 'বেংছতা' গল্পত এগৰাকী ষাঠিবছৰীয়া বৃদ্ধাই বাৰ্ধক্যৰ নিৰাপত্তাহীনতাত মৃত স্বামীক নৱজাতকৰ ৰূপত পৃথিৱীলৈ ঘূৰাই অনাৰ যো-জা চলোৱাৰ মৰ্মান্তিক চিত্ৰ ফুটাই তোলা হৈছে। ভুৱা গৰ্ভাৱস্থাক লৈ সৃষ্টি হোৱা বৃদ্ধাৰ মনৰ অন্তৰ্দ্বন্দ্ব গল্পটোত প্ৰকাশ পাইছে। প্ৰাত্যহিক জীৱনত লগ পোৱা বৃদ্ধ চৰিত্ৰৰ সূক্ষ্ম পৰ্যবেক্ষণ আৰু সমাজৰ বৃদ্ধ লোকৰ চৰিত্ৰ বিশ্লেষণত কমলা

বৰগোহাঞিঃ সিদ্ধহস্ত। তেওঁৰ কেইবাটাও গল্পত বাৰ্ধক্যৰ চেতনা ফুটি উঠিছে। দুজন অৱসৰপ্ৰাপ্ত বৃদ্ধৰ মানসিক যন্ত্ৰণাৰ বাস্তৱ ৰূপ বৰগোহাঞিয়ে 'মুখামুখি' গল্পত অংকন কৰিছে। গল্পটোত দুয়োগৰাকী অৱসৰী বৃদ্ধই নিজৰ নিজৰ বাৰ্ধক্যৰ দুখবোৰ লুকুৱাবলৈ অপচেষ্টা কৰা তেওঁলোকৰ চৰিত্ৰত স্পষ্ট হৈ পৰিছে। বাৰ্ধক্যত পৰিস্থিতিত পৰি আনৰ আগত ফাঁকি দিবলৈ চেষ্টা কৰা বৃদ্ধ দুগৰাকীয়ে অৱশেষত পৰিস্থিতিসাপেক্ষে সত্য স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। হাঁহিৰ আঁৰত থকা বৃদ্ধ লোকৰ মানসিক কাৰুণ্য গল্পকাৰে শিল্পৰূপত গল্পটোত তুলি ধৰিবলৈ চেষ্টা কৰিছে। বৰগোহাঞিৰ আন এটা গল্প 'সংগী'ত বাৰ্ধক্যত উপায়হীন হৈ প্ৰকৃতিৰ বিৰোধ জীৱক জীৱনৰ সংগী কৰি লোৱা এজন বৃদ্ধৰ মানসিক জটিলতাৰ চিত্ৰ ফুটি উঠিছে। আধুনিক বিজ্ঞান-তথ্য-প্ৰযুক্তিবিদ্যায়ে সলনি কৰা মানুহৰ ৰুচিবোধ আৰু একাংশ বৃদ্ধ লোকৰ মানসিক নিঃসংগতা, একাকিত্বৰ চিত্ৰ সোমনাথ বৰাৰ 'এনেকৈয়ে দিন, এনেকৈয়ে ৰাতি' গল্পত প্ৰকাশ পাইছে। বাৰ্ধক্যত কৰ্মব্যস্ততাহীন বৃদ্ধ লোকে আত্মসুখৰ সন্ধানত নিৰৰ্থক কথাৰ অৰ্থ উলিয়াই জীৱন অতিবাহিত কৰাৰ মনোগ্ৰাহী চিত্ৰ গল্পটোত কৌশলী ৰূপত অংকন কৰা হৈছে।

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্যৰ *গুৱাহটীয়া গল্পগুচ্ছ* শীৰ্ষক গল্পগ্ৰন্থৰ 'নদী', 'ডিঙি কটা ছাগলীৰ চকুত ডিৰেক্টৰ', 'ডালিম ফুলৰ পাপৰি', 'এদিন দীঘলীপুখুৰীৰ পাৰত' আদি কেইবাটাও গল্পত বাৰ্ধক্য-চেতনা ফুটি উঠিছে। বাৰ্ধক্যৰ শাৰীৰিক অক্ষমতা, নিঃসংগতা, অস্থিৰতা, হতাশা, যন্ত্ৰণা, নৈৰাশ্য আৰু মানসিক অন্তৰ্দ্বন্দ্বৰ ন ন ৰূপ গল্পকাৰে গল্পসমূহত তুলি ধৰিছে। অপু ভৰদ্বাজৰ 'এটা অংক আৰু এজন বুঢ়া' গল্পত এজন অৱসৰপ্ৰাপ্ত অংক মাষ্টৰে নিজকে পৰিয়ালটোৰ বোজা বুলি ভাবিবলৈ লোৱাৰ এক মননশীল চিত্ৰ দাঙি ধৰা হৈছে। বাৰ্ধক্যৰ একাকী যন্ত্ৰণাৰ সূক্ষ্ম বিশ্লেষণ. কৰা আন এগৰাকী গল্পকাৰ ভৃগুগেশ্বৰ শৰ্মা। তেওঁৰ প্ৰায়বোৰ গল্পই বাৰ্ধক্য-জীৱন-আধাৰিত। *মৃত্যু সম্পৰ্কীয় এটা বাজি* আৰু *বিয়লি বেলাৰ গল্প* শীৰ্ষক গল্পগ্ৰন্থ দুখনৰ প্ৰায়বোৰ গল্পৰ কেন্দ্ৰীয় বিষয় বাৰ্ধক্য। মৃত্যুতকৈও বাৰ্ধক্যৰ যন্ত্ৰণা যে কষ্টকৰ, সেয়া শৰ্মাই 'মৃত্যু সম্পৰ্কীয় এটা বাজি' গল্পত প্ৰতিপন্ন কৰিছে। 'ফটো' গল্পত এখন সাধাৰণ ফটোৱে মৃত্যুৰ আগজাননী হৈ কেনেদৰে বৃদ্ধ নায়কক মানসিক কষ্ট দিছে, তাকেই বাস্তৱ ৰূপত অংকন কৰিছে। শৰ্মাই 'অভিনয়' গল্পত বৰুৱা নামৰ এজন বৃদ্ধ

অৰসৰী বিষয়াৰ বাস্তৱ জীৱনৰ এক নিটোল বৰ্ণনা দাঙি ধৰিছে। পত্নী বিয়োগৰ পাছত এজন বৃদ্ধৰ নিঃসংগতাৰ এক ভয়াৱহ ৰূপ গল্পকাৰৰ 'নিঃসংগতা' গল্পত প্ৰকাশ পাইছে। এজন বৃদ্ধ অভিভাৱকৰ দূৰদৰ্শিতাৰ পৰিচয় 'মৃত্যুদূত' গল্পটোৰ জৰিয়তে শৰ্মাই দেখুৱাব বিচাৰিছে। 'দুখ' গল্পটোত দুকুৰি বছৰ একেটা বিভাগতে চাকৰি কৰি অৱসৰ লোৱা দুজন বৃদ্ধৰ মানসিক অৱস্থিতিৰ বৰ্ণনা পোৱা যায়। শৰীৰ আৰু মনৰ অন্তৰ্দ্বন্দ্বৰ কৌশলী প্ৰয়োগ আৰু বাৰ্ধক্য-চেতনা শৰ্মাৰ 'মুখাগ্নি', 'নিৰুদ্দেশ', 'অনুগ্ৰহ কৰি আমনি নকৰিব', 'ঘড়ী', 'কামাখ্যা ফাৰ্মাছীত চাৰিজন বন্ধু', 'মৃত্যুবীমা' আদি গল্পত প্ৰকাশ পোৱা দেখা যায়।

সত্যজিৎ ভূঞাৰ *অন্তৰ্লোক* শীৰ্ষক গল্পগ্ৰন্থৰ অন্তৰ্গত **'মৰুদ্যানৰ সন্ধানত এজন বেদুইন'**, 'বুকুত বেতালৰ হাঁহি'— এই দুয়োটা গল্পত বাৰ্ধক্যৰ নিঃসংগতা আৰু নিৰাপত্তাহীনতাৰ বাস্তৱ চিত্ৰ অংকিত হৈছে। বৃদ্ধ-মনস্তত্ত্ব আৰু মনৰ জলছবি প্ৰকাশিত দীনেশ শৰ্মাৰ 'বাৰ্ধক্যৰ বিৱৰ্তন' গল্পই সাম্প্ৰতিক সমাজত তৰুণ প্ৰজন্মৰ শৈক্ষিক মূল্যবোধৰ অভাৱ আৰু দ্ৰুত পৰিৱৰ্তনশীল গতিত সমাজত বৃদ্ধ লোকৰ দুৰৱস্থাৰ চিত্ৰ ফুটাই তুলিছে। জীৱনৰ আশীটা বসন্ত সুকলমে পাৰ কৰা বিপত্নীক বৃদ্ধগৰাকীয়ে বাৰ্ধক্যত জীৱনৰ এটি পৰম সত্য উদ্‌ঘাটন কৰিছে— "তেওঁ ভুল কৰিলে চাৰিজনৰ অন্ততঃ এজনক শিক্ষা-দীক্ষাই পংগু কৰি ৰাখিব পাৰিলে আজি তেওঁৰ এই দশা নহ'লহেতেন।"[৪৯] মনোজ কুমাৰ গোস্বামীৰ 'খিৰিকীৰে' গল্পত সাম্প্ৰতিক ব্যস্ততাপূৰ্ণ সমাজৰ জীৱনযাত্ৰাত নিঃসংগতা আৰু একাকিত্বত ভোগা শিশু আৰু বৃদ্ধৰ বিধ্বস্ত জীৱনচিত্ৰ প্ৰকাশ পাইছে। নিঃসংগতা আঁতৰাবলৈ শিশু আৰু বৃদ্ধজনে খিৰিকীখনকে অৱলম্বন কৰি লৈ তেওঁলোকৰ মাজত গঢ়ি তুলিছে সৌহাৰ্দ্য। বাৰ্ধক্যৰ শাৰীৰিক অসুস্থতা, নিঃসংগতাত বন্দী বৃদ্ধজনৰ আকুল হৃদয়ে কেনেকৈ শিশুটিৰ লগত অমোঘ বন্ধুত্ব স্থাপন কৰিছে, সেয়া বৃদ্ধৰ পৰিয়ালৰ পো-বোৱাৰীয়েও নাজানে আৰু শিশুটিৰ মাক-দেউতাকেও অনুভৱ কৰিব পৰা নাই।

গতিকে দেখা যায়, অসমীয়া গল্পতেই বহু বেছিকৈ বাৰ্ধক্য-চিত্ৰৰ প্ৰতিফলন ঘটিছে। অসমীয়া গল্পত বৃদ্ধ লোকৰ প্ৰসংগ প্ৰত্যক্ষ কৰিলে প্ৰায়বোৰ গল্পতে বৃদ্ধ লোকৰ স্থান অৱনমিত হোৱা আৰু

৪৯। দীনেশ শৰ্মা, 'বাৰ্ধক্যৰ বিৱৰ্তন', *গৰীয়সী*, লক্ষ্মীনন্দন বৰা (সম্পা.), ডিচেম্বৰ, ২০১০, পৃ. ৪০

বৃদ্ধসকলে মনৰ জটিলতাৰে জীৱন যাপন কৰা প্ৰত্যক্ষ হৈছে।

### ১.৫ অসমীয়া প্ৰবন্ধত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা ঃ

ভাব-চিন্তা-যুক্তি প্ৰদৰ্শন কৰিব পৰা আধুনিক সাহিত্যৰ এটি উল্লেখযোগ্য ভাগ প্ৰবন্ধ-সাহিত্য। সাহিত্যৰ আন আন শাখাৰ দৰে অসমীয়া সমাজৰ বৃদ্ধসকলৰ মানসিক চিত্ৰ অসমীয়া প্ৰবন্ধ-সাহিত্যতো দৃষ্টিগোচৰ হৈছে। অসমীয়া প্ৰবন্ধ-সাহিত্যক সমৃদ্ধিশালী কৰা 'জোনাকী' কাকতৰ গুৰিধৰোঁতা লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সমাজৰ বৃদ্ধসকলক সামৰি কেইবাটাও প্ৰবন্ধ লিখে। বেজবৰুৱাই *মোৰ জীৱন সোঁৱৰণ* আত্মজীৱনীখনত তেওঁলোকৰ যৌথ পৰিয়ালটোৰ কথা অকপটে বৰ্ণনা কৰিছে। পৰিয়ালটোত মহাপুৰুষীয়া সংস্কৃতিৰ সাধক বৃদ্ধ পিতৃ দীননাথ বেজবৰুৱাক পৰিয়ালৰ সকলোৰে শ্ৰদ্ধা-সন্মান কৰাৰ প্ৰমাণ পোৱা যায়। বয়োজ্যেষ্ঠ আৰু বুদ্ধি-বৃত্তিত অভিজ্ঞ বৃদ্ধ পিতৃৰ তত্ত্বাৱধানত চলা পৰিয়ালটোৰ বিৱৰণৰ পৰা এই কথা স্পষ্ট হৈ পৰে যে পৰিয়ালৰ বৃদ্ধ লোকজন এজন মুৰব্বীস্থানীয় সন্মানীয় ব্যক্তি।

> দেউতা পুবফালে পশ্চিমমুৱা হৈ বহিছিল। আন খাৰৈয়াসকল উত্তৰে-দক্ষিণে-পশ্চিমে পৰস্পৰৰ মুখামুখি কৰি বহিছিল।... বেঢ়া কাঁহীত ভাত খাবলৈ বহিবলৈ খুৰা দিয়া বৰপীৰা, ওচৰত মুখ ধুবলৈ বৰ চৰিয়া আৰু খৰিকা ল'বলৈ খৰিকা দানিত একোছা ভালকৈ কটা খৰিকা থোৱা হৈছিল। বাকীসকলৰ কাঁহী-বাটি মজিয়াৰ মাটিৰ ওপৰত দিয়া হৈছিল। সভাত সভাপতিৰ যি কাম, মজিয়াৰ সভাত দেউতাৰো প্ৰায় তেনেকুৱাই কাম আছিল। মজিয়াত হোৱা গম্ভীৰ গঢ়ৰ কথা-বাৰ্তাত দেউতাৰ সমালোচনা আৰু শেষ সিদ্ধান্ত এদিনীয়া।[৫০]

তদুপৰি সম্বন্ধত বয়োজ্যেষ্ঠক যথাযোগ্য সন্মান কৰিবলৈ বৃদ্ধ অভিভাৱকে কনিষ্ঠ প্ৰজন্মক শিকোৱাৰ এক নিদৰ্শন প্ৰবন্ধটোত পোৱা গৈছে। পৰিয়ালৰ সম্বন্ধীয়সকলক সম্বোধন ধৰি মাতিবলৈ শিক্ষা দিয়াৰ দিশটোও প্ৰবন্ধটোত পৰিদৃষ্ট হৈছে। সমাজত বয়োজ্যেষ্ঠ আৰু কনিষ্ঠৰ সুসম্পৰ্কৰ আভাস প্ৰবন্ধটোত প্ৰত্যক্ষ কৰা হৈছে।

'বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি' অংশৰ অন্তৰ্গত 'হাঁহি' প্ৰবন্ধটোত বেজবৰুৱাই হাঁহিৰ মহৌষধি গুণ

---

৫০। *বেজবৰুৱা ৰচনাৱলী (প্ৰথম খণ্ড)*, পূৰ্বোল্লিখিত, পৃ. ৬-৭

আৰু সেই গুণৰ পৰা বঞ্চিত বৃদ্ধ লোকৰ জীৱন হাঁহিৰে পূৰ্ণ কৰিবলৈ উপদেশ দিছে। বৃদ্ধ লোকৰ হাঁহি নিষিদ্ধ আৰু বাৰ্ধক্য নিৰাশাৰ কাল বুলি সকলোৰে মনত ভ্ৰান্ত ধাৰণা আছে। প্ৰবন্ধটোত হাঁহিৰে বাৰ্ধক্যৰ দুখ-অৱসাদ আঁতৰাবলৈ বেজবৰুৱাই বৃদ্ধ লোকক আহ্বান জনাইছে। মনৰ জটিলতা আৰু সকলো দুখ-কষ্ট পৰিত্ৰাণৰ একমাত্ৰ উপায় হাঁহিক লাপুং বুঢ়াসকলেও আয়ত্ত কৰি ল'বলৈ প্ৰবন্ধটোৰ জৰিয়তে পৰামৰ্শ দিছে— "ল'ৰাই হাঁহ, বুঢ়াই হাঁহ, আদহীয়াই হাঁহ। হাঁহ আৰু হাঁহ। আনকি দাঁত নাইকিয়া, সোলা লাপুং বুঢ়ায়ো নাতি-নাতিনীয়েকেৰে সৈতে হাঁহক।"[৫১]

'বুঢ়া হৰিজন', 'বুঢ়া-মেথা সংৰক্ষণী সভা' আৰু 'বৃদ্ধ বিবাহ প্ৰচাৰ সমিতি' শীৰ্ষক বাৰ্ধক্য সম্পৰ্কীয় কেইবাটাও প্ৰবন্ধত বেজবৰুৱাই ব্যংগৰ ছলেৰে তৰুণ প্ৰজন্মক সমালোচনা কৰিছে। বৃদ্ধ লোকক অস্পৃশ্য, হৰিজন বুলি ভাবি কোনো কামতে লগ নিদিয়া তৰুণ প্ৰজন্মক বৰবৰুৱাই 'বুঢ়া হৰিজন' প্ৰবন্ধটোত সকীয়নি দিছে।

> বুঢ়া হ'লেই সি হৰিজন হ'ল। ডেকা বা তৰুণৰ মানত বুঢ়া দুৰ্ঘোৰ অস্পৃশ্য। বুঢ়াক তৰুণে কোনো কামতে লগ নিদিয়ে। বুঢ়াক দেখিলে তেওঁলোকে ফালৰি কাটি যায়। বুঢ়াই শুনাকৈ নহ'লেও, নুশুনাকৈ পেংলাই কৰে। বেৰৰ আঁৰত বহি বুঢ়াক নিন্দা কৰে, বুঢ়ালৈ পিঠি দি ইতিকিং কৰে আৰু কেতিয়াবা বলে নোৱাৰিলে বুঢ়াক দূৰতে থাকিবলৈ ইঙ্গিত দি, বুঢ়াৰ পৰা আশীৰ্বাদ বিচাৰি বুঢ়াৰ মুখত সোপা দিয়ে।[৫২]

এনে দুৰ্কপলীয়া বৃদ্ধ লোকৰ সপক্ষে যুঁজ দিবলৈ বৰবৰুৱাই গান্ধীজীক এখন দৰ্খাস্ত দিবলৈ বিচাৰিছে। বৃদ্ধ লোকৰ সমস্যা সমাধানৰ বাবে বেজবৰুৱাৰ ' বুঢ়া-মেথা সংৰক্ষণী সভা' নামৰ প্ৰবন্ধত বৃদ্ধ লোকৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব পৰাকৈ কিছুমান নিয়ম-নীতি প্ৰণয়নৰ ব্যৱস্থা কৰিছে। জাতি, দেশ, বংশ, ধৰ্ম আৰু জাতীয় গৌৰৱ, বুৰঞ্জীৰ বীজ অক্ষুণ্ণ ৰখা বৃদ্ধ লোকক তৰুণ প্ৰজন্মই পূৰ্বৰ দৰে শ্ৰদ্ধা-সন্মান যচা দেখা নাযায়। কিন্তু পুৰণি কালত বৃদ্ধ লোকৰ স্থান তেনে নাছিল। সেই সময়ত বৃদ্ধ লোকক শ্ৰদ্ধা-সন্মান কৰা আৰু সকলো কামতে অগ্ৰাধিকাৰ দিয়া হৈছিল। সেইবাবে বুঢ়া-মেথা সংৰক্ষিণী সভাৰ জৰিয়তে বৃদ্ধ লোকৰ হৃত মৰ্যাদা ঘূৰাই আনিবলৈ বৰবৰুৱাই কিছুমান নিয়মৰ

---

৫১। *বেজবৰুৱাৰ ৰচনাৱলী (চতুৰ্থ খণ্ড),* পূৰ্বোল্লিখিত, পৃ. ৩১১

৫২। উল্লিখিত, পৃ. ৪৭৪-৪৭৫

বিধান দিছে। সেইসমূহৰ ভিতৰত— বুঢ়াৰ আৰ্জিত ধন-সম্পত্তি বুঢ়া অবিহনে ৰজাঘৰলৈ যোৱা আৰু তাত পো-জীৰ কোনো অধিকাৰ নথকাৰ নিৰ্দেশ দিছে। অবিবাহিত পো-জীৰ বিয়াবাৰুৰ দায়িত্ব নিজে ল'ব লগা, অন্যথা বৰলা-আবিয়ৈ হৈ দিন কটাব লাগিব বুলিও প্ৰবন্ধটোত উল্লেখ কৰিছে। আৰ্থিক দুৰৱস্থাহীন বৃদ্ধক ৰজাঘৰে পোহপাল দিব লাগিব। পো-জীয়ে নিজৰ দায়িত্ব ল'ব পাৰিলেই বৃদ্ধই তেওঁলোকক ঘৰৰ পৰা বাহিৰ কৰি দিব লাগিব। বৃদ্ধসকলে নিজৰ মন-মৰ্জি মতে সুহুৰিয়াব, গান গাব, নাচিব; মদ, ভাং, কানি খাব পাৰিব আৰু তেওঁলোকৰ এনে কাৰ্যত কোনেও বাধা দিব নোৱাৰিব। বৃদ্ধসকলৰ এনে কাৰ্যত কোনোৱে বিধি-পথালি দিলে বুঢ়া লোকৰ পৰা গালি-শপনি খাব লাগিব বুলিও প্ৰবন্ধটোত ব্যক্ত কৰিছে। কিন্তু তেওঁলোকক কোনেও ওলোটাই গালি পাৰিব নোৱাৰিব, তেওঁলোকৰ এনে ধৰ্মৰ আচৰণ ডেকাসকলে ল'ব নোৱাৰিব আৰু বৃদ্ধ লোকৰ নামৰ উপাধিও ডেকাসকলে তেওঁলোকৰ নামৰ পিছত ব্যৱহাৰ কৰিব নোৱাৰিব বুলি প্ৰবন্ধটোত প্ৰকাশ কৰিছে। তদুপৰি আইন সভাত বৃদ্ধ লোকৰ তিনিভাগ আসন ৰিজাৰ্ভ ৰখা আৰু তেওঁলোকৰ সপক্ষে মাত মতা লোকৰ সংখ্যা অধিক হ'ব লগাৰ বিধি-বিধানে সমাজত বৃদ্ধসকলৰ স্থান সুৰক্ষিত কৰিব বিচৰাৰ প্ৰমাণ দিয়ে।

সত্যনাথ বৰাৰ *চিন্তাকলি* গ্ৰন্থৰ 'জীৱনৰ শান্তিপৰ্ব' শীৰ্ষক প্ৰবন্ধত বাৰ্ধক্যক জীৱনৰ 'শান্তিপৰ্ব' বুলি উল্লেখ কৰিছে। উগ্ৰতা নথকাৰ বাবে বাৰ্ধক্যক 'বাখানিবলগীয়া কাল' বুলি বৰাই যুক্তি দিছে। বাৰ্ধক্যই ব্যক্তিৰ অৱসৰ বা জিৰণিৰ সময়। তদুপৰি জীৱনৰ ভাল-বেয়া কৰ্মৰ অনুতাপ এই সময়তে বেছিকৈ আহিবলৈ ধৰে। জীৱনত আগলৈ কেতিয়াবা জন্মিলেও বুঢ়া হৈহে ওপজাৰ অভিপ্ৰায় বৰাই প্ৰবন্ধটোত ব্যক্ত কৰিছে। আনকি এনে 'শান্তিপৰ্ব'ৰ কেতিয়াও ওৰ নপৰক বুলিও ভগৱানক খাটনি ধৰিছে— "...উত্ৰাৱল, উদণ্ড, আপদীয়া ডেকা কালতকৈ মোৰ মানত জুৰ, থিৰ, গম্ভীৰ, বুঢ়াকাল এশ গুণে ভাল।"[৫৩] কিন্তু আন একাংশ লোকে বাৰ্ধক্য জীৱনৰ প্ৰিয়বস্তু নহয় বুলি ভবাৰ উল্লেখ প্ৰবন্ধটোত পোৱা যায়।

তীৰ্থনাথ শৰ্মাৰ 'ভাৰতীয় আদৰ্শত বৈৰাগ্য' প্ৰবন্ধত আশ্ৰমী জীৱনৰ বৰ্ণনা পোৱা যায়।

৫৩। *প্ৰাক্‌বিশ্ববিদ্যালয় অসমীয়া কথা-চয়ন,* পৃ. ২৭

শৰ্মাই গৃহস্থী জীৱনৰ কৰ্তব্য সম্পাদন কৰি উঠাৰ পাছতহে বানপ্ৰস্থ আৰু সন্ন্যাসধৰ্ম ল'বলৈ বিধান দিছে। পিতৃ-মাতৃ-আচাৰ্যক দেৱতাজ্ঞান কৰিবলৈ প্ৰবন্ধটোত উপদেশ দিছে। উপনিষদত প্ৰৱৰ্তিত জীৱন-দৰ্শন আৰু কৰ্মযোগৰ জৰিয়তে এশবছৰীয়া বৃদ্ধই নিৰাসক্ত হৈ কৰ্মৰে সুখী জীৱন উপভোগ কৰাৰ বৰ্ণনা প্ৰবন্ধটোত পোৱা যায়।

বাণীকান্ত কাকতিৰ 'নামঘোষা' প্ৰবন্ধটোত বাৰ্ধক্যত কৃষ্ণভক্তিত নিমজ্জিত হোৱা মাধৱদেৱৰ বৰ্ণনা পোৱা যায়। শংকৰ গুৰুৰ স্মৃতি শিৰোগত কৰি, অন্তৰত কৃষ্ণনাম লৈ জীৱনৰ শেষ স্তৰত পৰম শান্তি লাভ কৰা মাধৱদেৱে *নামঘোষা*ৰ 'মহাপ্ৰস্থানিক গীত'ৰ দ্বাৰা বৃদ্ধ লোকক ভগৱন্তৰ শ্ৰীচৰণত শৰণ লৈ মুক্তি বাঞ্ছা কৰিবলৈ পৰামৰ্শ দিছে।

বিশ্বনাৰায়ণ শাস্ত্ৰীৰ 'বুঢ়াৰ মুখত হাঁহি' শীৰ্ষক প্ৰবন্ধটোত 'মনুসংহিতা'ত বাৰ্ধক্য সুখৰ কাল নহয় বুলি স্বীকাৰ কৰাৰ কথা উল্লেখ আছে। "ন তেন বৃদ্ধো ভৱতি যেনাস্য পলিতং শিৰঃ"[৫৪]— মূৰৰ চুলি পকি বগা হোৱাজন প্ৰকৃততে বৃদ্ধ নহয়। যিজন জ্ঞানী তেৱেঁই বৃদ্ধ। সাম্প্ৰতিক বয়োবৃদ্ধতকৈ জ্ঞানবৃদ্ধ লোকৰ গুৰুত্ব সমাজত বৃদ্ধি পোৱাত বয়োবৃদ্ধজন সমাজত এলাগী হৈ পৰাৰ কথা প্ৰবন্ধটোত প্ৰকাশ পাইছে।

পাৰিবাৰিক আৰু সামাজিক সমস্যাৰে ভাৰাক্ৰান্ত বৃদ্ধসকলে পুৰণি নীতি-আদৰ্শ আৰু আচাৰ-ব্যৱহাৰক আঁকোৱগোজভাৱে ধৰি ৰাখিব খোজাত তেওঁলোকৰ প্ৰতি তৰুণ প্ৰজন্মৰ আস্থা পূৰ্বতকৈ কমি আহিছে। একক পৰিয়ালৰ বৃত্তি বা চাকৰিজীৱী লোকৰ শিথিল বান্ধোন আৰু বৃদ্ধ লোকৰ প্ৰতি তৰুণ প্ৰজন্মৰ শ্ৰদ্ধা-ভক্তি কমি অহা পৰিলক্ষিত হৈছে। কেৱল টকা-পইচাতে দায়িত্ববোধ সীমাবদ্ধ হৈ পৰা ভাৰতবৰ্ষত অতীতৰ সন্ন্যাস আশ্ৰমে বৃদ্ধনিৱাস সদনৰ ৰূপ পোৱা বুলিও অভিযোগ উঠাৰ কথা প্ৰবন্ধটোত পোৱা যায়। সাম্প্ৰতিক ভোগবাদী সমাজৰ প্ৰতি বৃদ্ধ লোকৰ আশা-আকাংক্ষাই নহয়, কামনা-বাসনাও বৃদ্ধি পাইছে। সংবিধানে বৃদ্ধসকলৰ নিৰাপত্তাৰ ব্যৱস্থা কৰাৰ বৰ্ণনা প্ৰবন্ধটোত দৃষ্টিগোচৰ হৈছে। সমাজ এখনৰ প্ৰকৃত উন্নয়নৰ বাবে যুৱ আৰু বৃদ্ধ— দুই প্ৰজন্মৰ সহযোগৰ

---

৫৪। বিশ্বনাৰায়ণ শাস্ত্ৰী, 'বুঢ়াৰ মুখত হাঁহি', *গৰীয়সী*, লক্ষ্মীনন্দন বৰা (সম্পা.), ছেপ্টেম্বৰ, ২০১৪, পৃ. ১২

প্ৰয়োজন। সেইবাবে অদূৰ ভৱিষ্যতে যদি বৃদ্ধ আৰু তৰুণ দুই প্ৰজন্মৰ মাজত সংঘাত বা বিপৰীত চিন্তাপ্ৰৱণতাই ঠাই লয়, তেনেহ'লে যুৱ তথা আত্মাভিমানী বৃদ্ধসকলৰ সহনশীলতাই সমাজখনক আগুৱাই নিয়াত সহায় কৰিব বুলি প্ৰবন্ধটোত প্ৰকাশ পাইছে।

অসমীয়া সাহিত্যিক তথা এগৰাকী প্ৰবন্ধকাৰ হোমেন বৰগোহাঞিৰ বহুকেইটা প্ৰবন্ধৰে মূল বিষয়বস্তু বাৰ্ধক্য। *চাৰিটা দশকৰ ফচল ঃ গল্প আৰু প্ৰবন্ধ-সমগ্ৰ* শীৰ্ষক প্ৰবন্ধ সংকলনৰ কেইবাটাও প্ৰবন্ধত বাৰ্ধক্যৰ ইতিবাচক দিশ দৃষ্টিগোচৰ হৈছে। 'জীৱনৰ মধুৰতম সময়' প্ৰবন্ধত বাৰ্ধক্যক স্বাভাৱিক ৰূপত মানি ল'বলৈ কোনো লোকেই প্ৰস্তুত নোহোৱাৰ বৰ্ণনা পোৱা যায়। "বাৰ্ধক্য হ'ল এনে এক যন্ত্ৰণাকাতৰ জীৱন্মৃত অৱস্থা— যি অৱস্থাত মানুহে জীৱনৰ ফালে সম্পূৰ্ণ পিঠি দি মৃত্যুৰ নিৰানন্দ প্ৰতীক্ষাত দিন কটাবলৈ বাধ্য হয়।"[৫৫] পঁইষষ্ঠি বছৰীয়া ইংৰাজ কবি ইয়েট্ছে যৌৱনক ধৰি ৰাখিবলৈ প্ৰেমৰ কবিতা লিখা, কবি ব্ৰাউনিঙে বাৰ্ধক্য-বিষয়ক কবিতাৰে সান্ত্বনা দিয়াৰ উদাহৰণ প্ৰবন্ধটোত পোৱা যায়। বাৰ্ধক্য মানেই জীৱন সমাপ্তি নহয়, জীৱনক অন্তিম মুহূৰ্তলৈকে উপভোগ কৰি জীয়াই থকাই জীৱনৰ মূল উদ্দেশ্য হোৱা উচিত— এই সম্পৰ্কে প্ৰবন্ধটোত উল্লেখ পোৱা যায়। জীৱনকালতেই মানুহৰ শৰীৰৰ অন্যান্য অংগ-প্ৰত্যংগৰ দৰে স্মৃতিশক্তিও ধীৰে ধীৰে ক্ষয় যাবলৈ ধৰে। যাঠি বছৰ বয়সৰ পাছৰ পৰাই মস্তিষ্ক কোষৰ অৱক্ষয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰে। বাৰ্ধক্যত স্মৃতিশক্তিৰ বিলুপ্তি এক বিড়ম্বনা আৰু সেই যন্ত্ৰণা একেবাৰে লোপ কৰিব নোৱাৰি যদিও তাৰ বাবে প্ৰয়োজন মস্তিষ্কৰ অনুশীলনৰ। সেইবাবে নিষ্ক্ৰিয়তা পৰিত্যাগ কৰি বাৰ্ধক্যত প্ৰকৃতিৰ সক্ৰিয় বৈশিষ্ট্যক আদৰি স্মৃতিশক্তি সজীৱ কৰি ৰাখিবলৈ যত্ন কৰিব লাগে। 'মৃত্যু' প্ৰবন্ধত বিৰাশী বছৰীয়া মনোবিশ্লেষণবিদ ফ্ৰয়েড আৰু তেওঁতকৈ তিনি বছৰে সৰু যৌন-মনস্তত্ত্ববিদ এলিছৰ মৃত্যুৰ বৰ্ণনা পোৱা যায়। বাৰ্ধক্যত দুৰাৰোগ্য ৰোগত আক্ৰান্ত দুয়োগৰাকী মনোবিজ্ঞানীয়ে মৃত্যু আৰু যন্ত্ৰণাক পৰাজয় কৰাৰ দৃষ্টান্ত প্ৰবন্ধটোত পোৱা যায়। 'গ্যেটেৰ সৰ্বশেষ প্ৰেমৰ কবিতা'ত তেসত্তৰ বছৰীয়া গ্যেটে মানুহৰ দৈহিক বিকৃতি সহ্য কৰিব নোৱৰাৰ এক মৰ্মস্পৰ্শী বৰ্ণনা প্ৰবন্ধটোত তুলি ধৰা হৈছে। আনকি মৃত্যুশয্যাত শয্যাশায়ী মাতৃক চাবলৈও তেওঁ অনিচ্ছা প্ৰকাশ কৰাৰ কথা প্ৰবন্ধটোত পোৱা যায়। 'হানিৰিখ্ হাইনে' প্ৰবন্ধত তেপন্ন বছৰ বয়সতে হৃদৰোগত আক্ৰান্ত হৈ পক্ষাঘাতগ্ৰস্ত

৫৫। হোমেন বৰগোহাঞি, *চাৰিটা দশকৰ ফচল ঃ গল্প আৰু প্ৰবন্ধ-সমগ্ৰ*, পৃ. ৮৯

হোৱা হাইনৰ জীৱনৰ একমাত্ৰ ধ্যেয় বিষয় প্ৰেম। জীৱনৰ হতাশাক মানি ল'ব নোখোজা ষাঠি-উৰ্দ্ধৰ শৰ্য্যাশায়ী হাইনে জীৱনক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছে। তদুপৰি বৰগোহাঞিৰ 'কৃপাবৰ বৰুৱাৰ চমু জীৱনী' আৰু 'অতুলচন্দ্ৰ হাজৰিকা' শীৰ্ষক প্ৰবন্ধ দুটিতো বাৰ্ধক্যৰ চিত্ৰ পোৱা যায়। এসময়ৰ ৰসালাপী, হাস্যোজ্জ্বল কৃপাবৰ বৰুৱাৰূপী বেজবৰুৱাৰ শেষ বয়সত কথাৰ সুৰ আৰু ছেও বদলি হোৱাৰ কথা 'কৃপাবৰ বৰুৱাৰ চমু জীৱনী' প্ৰবন্ধত পোৱা যায়। অতুলচন্দ্ৰ হাজৰিকা কিন্তু ৰোগ আৰু বাৰ্ধক্যৰ যন্ত্ৰণাৰ প্ৰতি সম্পূৰ্ণ নিৰ্বিকাৰ— "অতুলচন্দ্ৰ হাজৰিকাই যৌৱনৰ প্ৰাণ-প্ৰাচুৰ্যৰ মাজত যি সংকল্প গ্ৰহণ কৰিছিল, ৰোগ আৰু বাৰ্ধক্যৰ প্ৰাণঘাতী যন্ত্ৰণাৰ মাজত সেই সংকল্প আখৰে আখৰে পালন কৰিছে।"[৫৬]

দেৱব্ৰত দাসৰ 'আমেৰিকাত বৃদ্ধসকল' শীৰ্ষক প্ৰবন্ধত আমেৰিকাৰ বৃদ্ধসকলৰ নিঃসংগতাৰ বৰ্ণনা দিছে— "বৃদ্ধসকলৰ জীৱনযাত্ৰা আমেৰিকাত বৰ নিঃসংগ। পুতেক-জীয়েকবোৰ সাবালক হ'লেই ঘৰ এৰি গুচি যায়। বৃদ্ধ-বৃদ্ধাসকল অকলশৰে বাকী জীৱন কটাবলৈ বাধ্য হয়।"[৫৭] পশ্চিমীয়া সমাজত বৃদ্ধসকলে সন্মানসহকাৰে জীয়াই থাকি শৰীৰে টনালৈকে কাম কৰি থকাৰ সুযোগ পোৱাৰ উল্লেখ প্ৰবন্ধটোত পোৱা যায়। কিন্তু আমেৰিকাত বৃদ্ধসকলে আনৰ সমবেদনাৰ সলনি নিঃসংগ জীৱনত সময়বিশেষে অৱহেলাৰ সন্মুখীন হোৱাৰ চিত্ৰও প্ৰবন্ধটোত প্ৰত্যক্ষ কৰা হৈছে। পো-জীক চাবলৈ বৈ থকা বৃদ্ধ পিতৃ-মাতৃৰ একাকী জীৱন আমেৰিকাত অতিকে ভয়াৱহ। আমেৰিকাৰ বৃদ্ধসকলৰ এনে নিঃসংগ জীৱনে ভাৰতবৰ্ষৰ লগতে অসমৰ সমাজ-জীৱনকো চুবলৈ প্ৰয়াস কৰাৰ সম্ভাৱনা প্ৰবন্ধটোত প্ৰকাশ পাইছে।

গৌতম বৰুৱাৰ 'অৱসৰ কালৰ জীৱন আৰু যৌৱন' প্ৰবন্ধত গতিশীল সময় আৰু পৰিৱেশে মানুহৰ চিন্তাধাৰালৈ কেনে পৰিৱৰ্তন আনিছে, তাকেই দেখুৱাব বিচাৰিছে। চল্লিশ বছৰ আগৰ আৰু পাছৰ অৱসৰী জীৱনৰ বিদায় মুহূৰ্তৰ উপহাৰৰ তুলনাৰে বাৰ্ধক্য আৰু মূল্যবোধৰ পৰিৱৰ্তিত ধাৰণাক প্ৰবন্ধকাৰে তুলনাৰে বুজাব বিচাৰিছে। বাৰ্ধক্যৰ আৰ্থিক দুৰৱস্থাৰ বাবে পূৰ্বপৰিকল্পনা আৰু মানসিক

৫৬। উল্লিখিত, পৃ. ২৯০

৫৭। দেৱব্ৰত দাস, 'আমেৰিকাত বৃদ্ধসকল', *গৰীয়সী,* লক্ষ্মীনন্দন বৰা (সম্পা.), মে', ২০১০, পৃ. ৮

পূৰ্বপ্ৰস্তুতিৰ যে প্ৰয়োজন সেই কথাৰো প্ৰবন্ধটোত উল্লেখ পোৱা যায়।

> সুস্বাস্থ্যই বেছি বয়সত দুটা সমস্যাৰ সৃষ্টি কৰিছে— এটা দৈহিক আৰু আনটো মানসিক। ৬০ বছৰত অৱসৰ গ্ৰহণ কৰি ৮০/৯০ বছৰলৈ জীয়াই থাকি, পুত্ৰ-কন্যা দূৰত থাকিলে, নিঃসংগতাই নহয়— আৰ্থিকভাৱেও ভাৰাক্ৰান্ত হ'ব পাৰে বুলি এটা বিভীষিকা থাকিব। অন্ততঃ যিখিনি মানুহে পেন্সন নাপায় সেইখিনি ব্যক্তি মানসিকভাৱে ক্লান্ত হোৱা দেখা যায়। গতিকে স্বাস্থ্য উন্নতিৰ লগে লগে বহুত দিন আগৰে পৰা সুন্দৰভাৱে ব্যক্তিগত বিত্তীয় পৰিকল্পনাৰ প্ৰয়োজন হ'ব।[৫৮]

গতিকে বাৰ্ধক্যৰ জীৱনচিত্ৰ প্ৰকাশিত অসমীয়া প্ৰবন্ধসমূহত অসমীয়া সমাজৰ বৃদ্ধ লোকৰ স্থান আৰু মৰ্যাদা সম্পৰ্কে অৱগত হ'ব পাৰি।

## উপসংহাৰ ঃ

অসমীয়া সাহিত্যত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা সাহিত্যৰ প্ৰতিটো শাখাতে সমানে মৰ্যাদাসম্পন্ন নহয়। অসমীয়া লোকসাহিত্যৰ অন্তৰ্গত সাধুকথা আৰু সাঁথৰত বৃদ্ধ লোকৰ স্থান মৰ্যাদা-সম্ভ্ৰমপূৰ্ণ, কিন্তু প্ৰবাদ-প্ৰবচন আৰু ফকৰা-যোজনাত বৃদ্ধসকলৰ স্থান অৱনমিত হোৱা দেখা যায়। অসমীয়া বৈষ্ণৱ-সাহিত্যত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা বৈৰাগ্যমূলক। আধুনিক সাহিত্যৰ অন্তৰ্গত অসমীয়া শিশু-কবিতাত বৃদ্ধ লোকৰ স্থান শ্ৰদ্ধা আৰু সন্মানজনক যদিও আধুনিক অসমীয়া কবিতাত বৃদ্ধসকলৰ স্থান শোচনীয় আৰু অৱনমিত হোৱা পৰিলক্ষিত হৈছে। অসমীয়া নাটক আৰু গল্পত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা সন্তোষজনক বুলিব নোৱাৰি। অসমীয়া প্ৰবন্ধত বাৰ্ধক্যক 'শান্তিপৰ্ব' হিচাপে প্ৰবন্ধকাৰে প্ৰকাশ কৰিছে।

---

৫৮। গৌতম বৰুৱা, 'অৱসৰ কালৰ জীৱন আৰু যৌৱন', *সাতসৰী*, অনুৰাধা শৰ্মা পূজাৰী, ১-১৫ অক্টোবৰ, ২০০৬, পৃ. ১৭

■■■■